# অন্বেষণ

প্ৰথম বছৰ ■ প্ৰথম সংখ্যা ■ ফেব্ৰুৱাৰি, ২০১৪





## ভাৰত ৰত্ন শচীন তেণ্ডুলকাৰ আৰু চি এন আৰ ৰাও

## ২০১৩ চনৰ উল্লেখযোগ্য ঘটনা










## কি ক'ত কিয় বিখ্যাত?



নেলচন মেণ্ডেলা



শচীন তেণ্ডুলকাৰ



চি এন আৰ ৰাও



ৰঘুৰাম গোবিন্দ ৰাজন

**সম্পাদকৰ টোকা**

# অন্বেষণ

অন্বেষণ শব্দটোৰ সৰল অৰ্থ হৈছে জ্ঞান লাভৰ বাবে কৰা অনুসন্ধান। জ্ঞান লাভৰ বাবে থকা মানুহৰ চিৰন্তন হেঁপাহৰ ফলতেই মানৱ-সভ্যতা আজিৰ স্তৰত উপনীত হৈছে। এই পৃথিৱীত মানুহ জীয়াই থকালৈকে অবিৰতভাৱে জ্ঞানৰ অন্বেষণো চলি থাকিব।

একোজন মানুহৰ জীৱন গঢ়াৰ আখৰা আৰম্ভ হয় ছাত্ৰ জীৱনত আনুষ্ঠানিক শিক্ষাৰ মাধ্যমত। কিন্তু শিক্ষা বা জ্ঞানৰ পৰিধি কেৱল শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজতেই সীমাবদ্ধ নহয়। ইয়াৰ অৰ্থ ব্যাপক আৰু বিশাল।

ইণ্টাৰনেটকে ধৰি বিজ্ঞানৰ শেহতীয়া প্ৰযুক্তিবোৰৰ সহায়ত জ্ঞান-বিজ্ঞানৰ ক্ষেত্ৰখন কেনে দ্ৰুতগতিত আগবাঢ়ি গৈ আছে সেয়া সকলোৰে জ্ঞাত। বহুতেই ইয়াক তথ্য আৰু জ্ঞানৰ 'বিস্ফোৰণ' বুলি অভিহিত কৰিছে। এনে পটভূমিত ছাত্ৰ-ছাত্ৰীসকলক জীৱন গঢ়াৰ এই অমূল্য সময়ছোৱাত একমাত্ৰ পাঠ্যপুথিৰ পৃষ্ঠাবোৰৰ মাজত আবদ্ধ কৰি ৰাখিলে বৰ্তমানৰ তীব্ৰ প্ৰতিযোগিতামূলক পৃথিৱীখনত খোজত খোজ মিলাই আগবাঢ়ি যোৱাত তেওঁলোক অসুবিধাৰ সন্মুখীন হ'ব।

ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৰ্তমান শিক্ষাৰ ক্ষেত্ৰত প্ৰতিযোগিতাৰ মনোভাৱ পূৰ্বৰ তুলনাত বৃদ্ধি পাইছে। এয়া যথেষ্ট আশাপ্ৰদ কথা। কিন্তু পৰীক্ষাৰ ভাল ফলাফলৰ বাবে পৰিশ্ৰম কৰাৰ লগতে অন্যান্য প্ৰয়োজনীয় খা-খবৰ সংগ্ৰহ কৰিবলৈ, ভাল কিতাপ-পত্ৰ পঢ়িবলৈ আৰু নজনা কথা জানিবলৈ ছাত্ৰ-ছাত্ৰীসকলে সদায় চকু-কাণ সজাগ কৰি ৰাখিব লাগিব। সম্প্ৰতি দেখা গৈছে যে পৰীক্ষাত খুব ভাল ফলাফল দেখুওৱা উচ্চ ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীসকলৰো বহুতেই পাঠ্যপুথিৰ বাহিৰৰ জানিবলগীয়া সাধাৰণ কথাবোৰৰ বিষয়ে অৱগত নহয়। এইটো এটা ভাবিবলগীয়া সমস্যা হিচাপে থিয় দিছে। কিয়নো, শিক্ষা জীৱন সমাপ্ত কৰি সংস্থাপন বিচাৰি গ'লে আজিকালি পৰীক্ষাৰ মাৰ্কছীটখনতকৈ অধিক গুৰুত্ব দিয়া হয় প্ৰাৰ্থীগৰাকীৰ সামগ্ৰিক ব্যক্তিত্ব, জ্ঞানৰ গভীৰতা আৰু পৰিসৰত।

প্ৰশ্ন হ'ল আমি ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান-লাভৰ এই প্ৰক্ৰিয়াটোত কিদৰে সহায় কৰিব পাৰোঁ ! প্ৰথম কথা— শিক্ষানুষ্ঠানবোৰৰ পাঠদান কোঠালিত শিক্ষাগুৰুসকলে আৰু ঘৰৰ পৰিৱেশত পিতৃমাতৃসকলে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথি বহিৰ্ভূত আন প্ৰয়োজনীয় কথাবোৰৰ বিষয়ে অৱগত কৰাৰ বাবে নিয়মীয়া প্ৰচেষ্টা হাতত ল'ব লাগিব। দ্বিতীয়তে—ছাত্ৰ-ছাত্ৰীক বিভিন্ন খা-খবৰৰ উৎস যেনে বাতৰি কাকতৰ গুৰুত্বপূৰ্ণ বা-বাতৰি পঢ়া বা দূৰদৰ্শনৰ বিভিন্ন অনুষ্ঠানৰ বয়সোপযোগী কাৰ্যসূচীবোৰ চোৱাৰ সুযোগ দিব লাগিব। কিন্তু সমস্যাটো হ'ল বৰ্তমান দূৰদৰ্শনৰ বিভিন্ন চেনেলবোৰত অহৰ্নিশে যিধৰণৰ ঋণাত্মক বাতৰি প্ৰচাৰ হৈ থাকে আৰু বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাতেই হিংসা, সন্ত্ৰাস আৰু অনিয়মৰ যিবোৰ খবৰ সবিস্তাৰে ওলাই থাকে তেনে পৰিস্থিতিত সেইবোৰ নিয়মীয়াকৈ পঢ়া বা চোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীক উপদেশ দিব পাৰিনে? এইটো প্ৰশ্নৰ উত্তৰ দিয়াটো কিছু জটিল। অথচ বাতৰি কাকত বা দূৰদৰ্শনৰ মাধ্যমত আন জানিবলগীয়া বহু কথাই প্ৰকাশ হয়। কিন্তু সেইবোৰ ভিৰৰ মাজত হেৰাই যায়।

এনে এক পৰিৱেশ আৰু তাগিদাৰ পটভূমিতেই 'অন্বেষণ'ৰ জন্ম। এটা মাহৰ বা প্ৰয়োজন সাপেক্ষে তাতোকৈও পুৰণি বছা বছা গুৰুত্বপূৰ্ণ খবৰবোৰ আৰু জ্ঞানৰ ভঁৰাল চহকী কৰাৰ বাবে প্ৰয়োজনীয় বিবিধ বিষয় 'অন্বেষণ'ত প্ৰকাশ কৰা হ'ব। এই আলোচনীখন ছাত্ৰ-ছাত্ৰীৰ গল্প, কবিতা বা আন সাহিত্য-কৰ্ম চৰ্চাৰ আলোচনী নহয়। অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ তৰফৰপৰা প্ৰতি মাহৰ ১ তাৰিখে 'অন্বেষণ' প্ৰকাশিত হ'ব।

'অন্বেষণ'ত প্ৰকাশিত লেখাবোৰৰ ভাষা যথাসম্ভৱ সৰল কৰাৰ চেষ্টা কৰা হ'ব। অৱশ্যে সকলো লেখা সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সমানে বোধগম্য নহ'বও পাৰে। কিন্তু কপিবোৰ সংৰক্ষণ কৰি ৰাখিলে তলৰ শ্ৰেণীত বুজি নোপোৱা কোনো এটা লেখা পৰৱৰ্তী শ্ৰেণীত বুজাত সহজ হৈ পৰিব। বিভিন্ন লেখাত প্ৰয়োজন সাপেক্ষে ইংৰাজী বৰ্ণমালাৰ প্ৰয়োগো থাকিব যাতে মূল তথ্য ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ শুদ্ধকৈ পাব পাৰে। এই প্ৰচেষ্টাই যদি ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ অন্বেষণৰ তৃষ্ণা বঢ়াই নিবলৈ সক্ষম হয়, সেয়াই হ'ব 'অন্বেষণ'ৰ সাৰ্থকতা।

# অন্বেষণ

১ম বছৰ, ১ম সংখ্যা, ফেব্ৰুৱাৰি, ২০১৪ চন

## সূচীপত্ৰ


১ সম্পাদকৰ টোকা

৩ বিশেষ নিবন্ধ : অৰবিন্দ কেজৰিৱাল : প্ৰশাসনিক ক্ষেত্ৰৰপৰা ৰাজনীতিৰ পথাৰলৈ

■ মানসী বৰুৱা

৫ দেশ-বিদেশৰ খবৰ

১০ খবৰৰ লেচেৰি বোটলা

১১ ২০১৩ চনৰ বিজ্ঞানজগত

■ অভিজিত শৰ্মা বৰুৱা

১৪ বিজ্ঞান বাৰ্তা

১৫ বৰেণ্য ব্যক্তি

১৭ মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

■ ঘনশ্যাম মেধি

২০ ঠাইৰ চিনাকি

■ সংগীতা দাস

২১ কুইজ

■ ধ্ৰুৱ শৰ্মা

২২ কি, ক'ত, কিয় বিখ্যাত

২৩ গণিতৰ জগত

■ হিৰণ্য কলিতা

২৪ ক্ৰীড়াংগন

■ ভবেশ্বৰ গোস্বামী, পলাশ কুমাৰ নাথ

২৫ অসমৰ কিছুমান পৰিভ্ৰমী চৰাই

■ বনানী ডেকা, সুৰজিতা শৰ্মা গোস্বামী

২৬ কলাৰ শিৰোমণি 'চলচ্চিত্ৰ কলা'

■ বিতোপন বৰবৰা

২৭ ২০১৩ চনৰ ন'বেল বঁটা পোৱা ব্যক্তিসকল

২৮ সাহিত্যক্ষেত্ৰৰ উল্লেখযোগ্য বঁটা-বাহন

■ লিপিমণি দত্ত

৩০ সঘনাই মনলৈ অহা প্ৰশ্ন

৩১ অসম আৰু চুবুৰীয়া ৰাজ্যবোৰৰ কেইটামান জনগোষ্ঠী

■ প্ৰতুল ডেকা



**সহযোগী সম্পাদক**

পংকজ দত্ত

**সহকাৰী সম্পাদক**

প্ৰাঞ্জল তালুকদাৰ

ঋতুৰাজ ডেকা

**ব্যৱস্থাপনা**

দিলীপ কুমাৰ দত্ত চৌধুৰী

মূল্য : বিছ টকা

অংগসজ্জা আৰু বেটুপাত

কুঞ্জৰ দাস

**ডিটিপি**

প্ৰশান্ত বৰঠাকুৰ

অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ শ্ৰীদিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত আৰু অবৈতনিক সচিব ডাঃ নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত; অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী ৭৮১০২০ত শ্ৰীপ্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।

# অৰবিন্দ কেজৰিৱাল : প্ৰশাসনিক ক্ষেত্ৰৰপৰা ৰাজনীতিৰ পথাৰলৈ

■ মানসী বৰুৱা

২০১৩ বৰ্ষৰ ২৮ ডিছেম্বৰ—দিল্লীবাসীৰ লগতে সমগ্ৰ ৰাষ্ট্ৰৰ দৃষ্টি নিবদ্ধ হ'ল দিল্লীৰ ৰামলীলা ময়দানত। দিল্লীৰ ৰাজনৈতিক ইতিহাসৰ এক ব্যতিক্ৰমী ঘটনা—আম আদমী পাৰ্টিৰ শীৰ্ষ নেতা অৰবিন্দ কেজৰিৱালে দিল্লীত শীলা দীক্ষিত নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ সুদীৰ্ঘ পোন্ধৰ বছৰীয়া কাৰ্যকালৰ অন্ত পেলাই দিল্লীৰ সপ্তম তথা দ্বিতীয় কনিষ্ঠতম মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে। দিল্লীত শীলা দীক্ষিত নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত সংঘটিত দুৰ্নীতি-কেলেংকাৰি-অনিয়মৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি দিল্লী বিধানসভা নিৰ্বাচনত পোনপ্ৰথমবাৰৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰি আম আদমী পাৰ্টিয়ে অভূতপূৰ্ব সফলতা লাভ কৰিবলৈ সক্ষম হ'ল।

১৯৬৮ চনৰ ১৬ আগষ্টত হাৰিয়ানাৰ সিৱানি গাঁৱত জন্মগ্ৰহণ কৰা কেজৰিৱালে তেওঁৰ ল'ৰালিকাল কটাইছিল উত্তৰ ভাৰতৰ সোণাপট, গাজিয়াবাদ আৰু হিচাৰ নামৰ চহৰকেইখনত। হিচাৰৰ 'কেম্পাছ স্কুল'ত স্কুলীয়া শিক্ষা গ্ৰহণ কৰি শিক্ষা জীৱন আৰম্ভ কৰা কেজৰিৱালে আই.আই.টি. খড়গপুৰৰপৰা মেকানিকেল ইঞ্জিনীয়াৰিং বিভাগত সুখ্যাতিৰে ইঞ্জিনীয়াৰিং ডিগ্ৰী লাভ কৰে। ১৯৮৯ চনত টাটা ষ্টীলত যোগদান কৰি কেজৰিৱালে কৰ্ম জীৱনৰ পাতনি মেলে। অৱশ্যে ভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে ১৯৯২ চনত তেওঁ এই চাকৰি বাদ দিয়ে। চাকৰি বাদ দিয়াৰ পাছত তেওঁ কিছুকাল কলকাতা, উত্তৰ-পূব ভাৰতৰ ৰামকৃষ্ণ মিছন আৰু নেহৰু যুৱ কেন্দ্ৰত অতিবাহিত কৰে।

ভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰি কেজৰিৱালে ১৯৯৫ চনত ভাৰতীয় ৰাজহ সেৱাত যোগদান কৰে। কিন্তু পৰিস্থিতিৰ তাগিদাত ২০০৬ চনৰ ফেব্ৰুৱাৰিত কেজৰিৱালে নতুন দিল্লীৰ আয়কৰ বিভাগৰ যুটীয়া আয়ুক্ত পদবীৰপৰা ইস্তফা দিয়ে।

'পৰিবৰ্তন আৰম্ভ হয় সৰু কথাৰপৰাই'—এই উক্তিত বিশ্বাসী কেজৰিৱালে ১৯৯৯ চনৰ ডিছেম্বৰত আয়কৰ বিভাগত কৰ্মৰত হৈ থকা অৱস্থাতে 'পৰিবৰ্তন' নামেৰে এক স্বেচ্ছাসেৱী সংগঠন গঠনেৰে এক আন্দোলনৰ আৰম্ভণি ঘটায়। 'পৰিবৰ্তনে' দিল্লীৰ নাগৰিকসকলক আয়কৰ আদায়, বিদ্যুৎ যোগান অথবা বিদ্যুৎ মাচুল হ্ৰাস আৰু ৰচদ সম্পৰ্কীয় কথা-বতৰাৰ পৰিচালনা সম্পৰ্কত সহায় কৰে। ২০০৮ চনত 'পৰিবৰ্তনে' দিল্লীত ৰেচন কাৰ্ড সম্পৰ্কীয় এক জালিয়াতিৰ ঘটনাও উন্মোচিত কৰে।

তথ্য জনাৰ অধিকাৰ আইনৰ উচিত প্ৰয়োগৰ ক্ষেত্ৰত আগবঢ়োৱা প্ৰভাৱশালী নেতৃত্বৰ বাবে ২০০৬ চনত অৰবিন্দ কেজৰিৱাললৈ 'ৰমণ মেগছেছে বঁটা' আগবঢ়োৱা হয়। এই বঁটাৰ বাবদ লাভ কৰা ধনৰাশিৰে কেজৰিৱালে মনীষ চিচ'ডিয়া, অভিনন্দন সেখ্ৰীৰ লগলাগি পাবলিক কজ ৰিছাৰ্চ ফাউণ্ডেছন (Public Cause Research Foundation) নামৰ এক অনুষ্ঠানৰ জন্ম দিয়ে। এই অনুষ্ঠানটোৱে 'পৰিবৰ্তন'ৰ কৰ্মচাৰীসকলক দৰমহা দিয়াৰ ব্যৱস্থা কৰে।

কেজৰিৱালে তথ্য জনাৰ অধিকাৰ আইনৰ ব্যৱহাৰ কৰি বহুতো চৰকাৰী বিভাগ যেনে—দিল্লী পৌৰনিগম, ৰাজহুৱা বিতৰণ ব্যৱস্থা, দিল্লী বিদ্যুৎ পৰিষদৰ লগত জড়িত দুৰ্নীতি উন্মোচনৰ বাবে পদক্ষেপ গ্ৰহণ কৰে।

দেশত জন লোকপাল বিলৰ প্ৰবৰ্তনৰ বাবে দাবী জনাই বৰ্ষীয়ান গান্ধীবাদী সমাজকৰ্মী আন্না হাজাৰেই গঢ়ি তোলা আন্দোলনত কেজৰিৱালে সক্ৰিয় আন্দোলনকাৰীৰ ভূমিকা পালন কৰে। ভাৰত চৰকাৰে গঠন কৰি দিয়া জন লোকপাল বিলৰ খচৰা প্ৰস্তুতকৰণ কমিটিত কেজৰিৱালে নাগৰিক সমাজৰ প্ৰতিনিধি সদস্যৰূপে অংশগ্ৰহণ কৰে।

জন লোকপাল বিল প্ৰৱৰ্তনৰ দাবীত আন্না হাজাৰেৰ নেতৃত্বত গঢ়ি উঠা 'দুৰ্নীতিৰ বিৰুদ্ধে ভাৰত আন্দোলনে' ২০১১-১২ বৰ্ষত তীব্ৰ গতি লাভ কৰাৰ সময়তে এই আন্দোলন ৰাজনীতিকৰণৰ সন্দৰ্ভত আন্না হাজাৰে আৰু কেজৰিৱালৰ মাজত মতবিৰোধ হয়। আন্না হাজাৰে এই আন্দোলন ৰাজনৈতিকভাৱে নিৰপেক্ষ হোৱাটো বিচৰাৰ বিপৰীতে অৰবিন্দ কেজৰিৱালে প্ৰত্যক্ষ ৰাজনীতিত জড়িত হোৱাৰ তীব্ৰ প্ৰয়োজনীয়তা উপলব্ধি কৰে। প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাৰ সৈতে জন লোকপাল বিল সম্পৰ্কে কৰা আলোচনাৰ সাৰ্থকতা সন্দৰ্ভত কেজৰিৱাল সন্দিহান আছিল। ৰাজনৈতিক দল গঠনৰ ক্ষেত্ৰত আন্না হাজাৰেৰ বিৰোধিতাৰ বিপৰীতে দুৰ্নীতি-বিৰোধী আন্দোলনত জড়িত ভালেমান গণ্য-মান্য ব্যক্তি যেনে—প্ৰশান্ত ভূষণ, শান্তি ভূষণ আদিৰপৰা কেজৰিৱালে সমৰ্থন লাভ কৰিছিল।

২ অক্ট'বৰ, ২০১১ত কেজৰিৱালে ৰাজনৈতিক দল গঠনৰ কথা ঘোষণা কৰে আৰু ২০১২ চনৰ ২৬ নৱেম্বৰত আনুষ্ঠানিকভাৱে আম আদমী পাৰ্টিৰ আৰম্ভণি ঘটোৱা হয়। ২৬ নৱেম্বৰত দিল্লীত আনুষ্ঠানিকভাৱে আৰম্ভ কৰা আম আদমী পাৰ্টিয়ে ২০১৩ৰ মাৰ্চত ভাৰতীয় নিৰ্বাচন আয়োগৰ অধীনত ৰাজনৈতিক দল হিচাপে পঞ্জীয়নভুক্ত হয়। উল্লেখযোগ্য যে এই আম আদমী পাৰ্টিয়ে দিল্লীৰ বিধানসভা নিৰ্বাচনত পোনপ্ৰথমবাৰৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰি অভূতপূৰ্ব সফলতা লাভ কৰিবলৈ সক্ষম হ'ল। সত্তৰখন আসনযুক্ত দিল্লী বিধানসভাৰ নিৰ্বাচনত বিজেপি দলে ৩২ খন আসন আৰু কংগ্ৰেছ দলে মাত্ৰ ৮ খন আসন লাভ কৰাৰ বিপৰীতে দুৰ্নীতি-ভ্ৰষ্টাচাৰক মূল ইছ্যু হিচাপে গ্ৰহণ কৰি নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱা আম আদমী পাৰ্টিয়ে ২৮ খন আসনত জয়লাভ সাব্যস্ত কৰিলে। কংগ্ৰেছৰ নিঃচৰ্ত সমৰ্থনত সত্তৰখন আসনযুক্ত দিল্লী বিধানসভাৰ মাত্ৰ ২৮ জন বিধায়কেৰে এই সংখ্যালঘিষ্ঠ দলটোৱে চৰকাৰ গঠন কৰিলে।

ব্যতিক্ৰমীভাৱে দিল্লীবাসীৰ সন্মুখত পদ আৰু গোপনীয়তাৰ শপত লোৱা, জনসাধাৰণৰ স্বাৰ্থৰক্ষাৰ্থে কাম কৰিম বুলি প্ৰতিশ্ৰুতি দিয়া জননেতা অৰবিন্দ কেজৰিৱালৰ পৰৱৰ্তী কাম-কাজৰ বাবে জনসাধাৰণে পৰম আগ্ৰহেৰে বাট চাই আছে। ◎

## অৰবিন্দ কেজৰিৱালৰ প্ৰকাশিত কিতাপ

'স্বৰাজ', প্ৰকাশ কাল ২০১২

## কেজৰিৱালে বৰ্তমানলৈ লাভ কৰা বঁটাসমূহ

2004 : Ashoka Fellow, Civil Engagement.
2005 : Satyendra K. Dubey Memorial Award, IIT Kanpur for his Campaign for Bringing Transparency in Government.
2006 : Ramon Magsaysay Award for Emergent Leadership.
2006 : CNN-IBN Indian of the year in Public Service.
2009 : Distinguished Alumnus Award, IIT Kharagpur for Eminent Leadership.
2009 : Awarded a grant and fellowship by the Association for India's Development.
2010 : Policy Change Agent of the year, Economic Times Awards along with Aruna Roy.
2011 : NDTV Indian of the year along with Anna Hazare.
2013 : CNN-IBN Indian of the year 2013-politics.

**'গুগল'ৰ মুখ্য ছফটৱেৰ অভিযন্তা পদত নলবাৰীৰ ড° কিশোৰ বৰ্মন :** নলবাৰী জিলাৰ পশ্চিম প্ৰান্তৰ অখ্যাত টেঙাবাৰী গাঁৱৰ প্ৰয়াত অনন্ত বৰ্মন আৰু সৰোজনী বৰ্মনৰ একমাত্ৰ পুত্ৰ ২৯ বছৰীয়া বিজ্ঞানী ড° কিশোৰ বৰ্মনে আমেৰিকাৰ বিখ্যাত বহুজাতিক কোম্পানী 'গুগল'ত (Google) মুখ্য ছফটৱেৰ ইঞ্জিনীয়াৰ (C.S.E.) পদত যোৱা ৪ নৱেম্বৰ, ২০১৩ তাৰিখে যোগদান কৰি বহিঃদেশত অসমৰ নাম উজলাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফ'ৰ্নিয়াৰ মাউণ্টেন হাভাৰ্ডস্থিত এই অনুষ্ঠানটোত দায়িত্ব গ্ৰহণ কৰা ড° বৰ্মনে ২০০১ চনত কটন কলেজৰপৰা উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত ৰাজ্যখনৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰিছিল। পিছলৈ ৰাজস্থানৰ পিলানীস্থিত বিৰলা ইনষ্টিটিউট অৱ টেকন'লজী এণ্ড ছায়েন্সৰপৰা ২০০৫ চনত তেওঁ ইলেক্ট্ৰিকেল আৰু ইলেক্ট্ৰ'নিকছ ইঞ্জিনীয়াৰিঙৰ স্নাতক ডিগ্ৰী লয়। ২০১১ চনত মুম্বাইৰ টাটা ইনষ্টিটিউট অব ফাণ্ডামেণ্টেল ৰিছাৰ্চৰপৰা কম্পিউটাৰ আৰু ছিষ্টেম বিষয়ত এম.এছ. ডিগ্ৰী লাভ কৰে। তেওঁ ২০১১ চনতে পি.এইচ.ডি. সন্মানো অৰ্জন কৰে।

**ছুইজাৰলেণ্ডত কৰ্মৰত অসম সন্তানলৈ আন্তঃৰাষ্ট্ৰীয় বঁটা :** সেউজ গৃহ গেছ নিৰ্গমন প্ৰক্ৰিয়া ৰোধৰ বাবে অব্যাহত ৰখা গৱেষণা কৰ্মৰ কাৰণে অসম সন্তান ড° দেৱজিৎ কুমাৰ বৰাই আন্তঃৰাষ্ট্ৰীয় সন্মান লাভ কৰিছে। ছুইজাৰলেণ্ডৰ জুৰিখস্থিত এমপা ছুইছ ফেডাৰেল লেবৰেটৰী ফৰ মেটেৰিয়েল ছায়েন্স এণ্ড টেকন'লজিত তেওঁ বিজ্ঞানী হিচাপে কৰ্মৰত হৈ আছে। ছুইছ চৰকাৰৰ অধীনত গৱেষণা কৰি থকা বিশ্বৰ বিভিন্ন প্ৰান্তৰ বহু বিজ্ঞানীক চেৰ পেলাই শ্ৰীবৰাই এই বিৰল সন্মানৰ অধিকাৰী হয়। তেওঁৰ এই গৱেষণা প্ৰযুক্তিৰ সহায়ত গ্ৰীণ হাউছ গেছ নিৰ্গমনৰ হাৰ হ্ৰাস কৰিব পৰা যাব। বিষয়টোৰ গভীৰতালৈ লক্ষ্য ৰাখি ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ শক্তি বিভাগে জইণ্ট চেণ্টাৰ ফৰ আৰ্টিফিচিয়েল ফট'চিন্থিছিছ নামৰ এটা গৱেষণা কেন্দ্ৰও স্থাপন কৰিছে। ২০০৪ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা ৰসায়ন বিজ্ঞান বিভাগত স্নাতক ডিগ্ৰী লাভ কৰা ড° বৰাই ২০০৫ চনত বায়'ইনফৰ্মেটিক্স ইনষ্টিটিউট অৱ ইণ্ডিয়াৰপৰা ডিপ্ল'মা আৰু ২০০৭ চনত তেজপুৰ বিশ্ববিদ্যালয়ৰপৰা নেন'ছায়েন্স এণ্ড টেকন'লজি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেওঁ যোৰহাটৰ পদুমনি গাঁও নিবাসী প্ৰয়াত কোমেশ্বৰ বৰা আৰু মঞ্জু বৰাৰ পুত্ৰ।

**হাৰ্ভাৰ্ড মহাবিদ্যালয়ৰ নৱ-নিযুক্ত ডীন ড° ৰাকেশ খুৰাণা :** ভাৰতীয় মূলৰ ৰাকেশ খুৰাণাই আমেৰিকাৰ হাৰ্ভাৰ্ড মহাবিদ্যালয়ৰ নতুন ডীন হিচাপে নিযুক্তি লাভ কৰিছে। এই বছৰৰ জুলাই মাহত খুৰাণাই দায়িত্বভাৰ গ্ৰহণ কৰিব। এই পদ লাভ কৰাৰ আগতে খুৰাণাই একেই মহাবিদ্যালয়ৰেই বিজনেছ স্কুলৰ 'মাৰ্কিন ব'ৱাৰ প্ৰফেছৰ অব্ লিডাৰশ্বিপ ডেভেলপমেণ্ট' হিচাপে কৰ্মৰত আছিল। তদুপৰি তেখেতে 'ফেকাল্টি অব আৰ্টছ এণ্ড ছায়েঞ্চৰ সমাজতত্ত্ব বিষয়ৰ অধ্যাপক হিচাপেও কৰ্মৰত আছিল। এই অনুষ্ঠানতেই গৱেষণা কৰি খুৰাণাই ১৯৯৮ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল।

**অৰুণাচল সীমান্তত চীনৰ নতুন ঘাইপথ মুকলি :** ২০১৩ চনৰ ৩১ অক্ট'বৰত চীনে অৰুণাচল সীমান্ত চুই যোৱাকৈ তিব্বতত এটা নতুন ঘাইপথ মুকলি কৰে। দেশৰ বাকী অংশৰ লগত বছৰৰ ৯ মাহ যোগাযোগ ৰাখিব পৰাকৈ এই পথ তিব্বতৰ মেদগলৈকে সম্প্ৰসাৰিত কৰা হৈছে। ইয়াৰ আগলৈকে 'মেদগ' চীনৰ ঘাইপথ প্ৰকল্পৰ বাহিৰত আছিল। ১১৭ কিমি. দৈৰ্ঘ্যৰ এই পথটিৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছিল ২০০৯ চনত।

**মহাকাশ বিচৰণত অলিম্পিক শিখা :** ২০১৪ চনত ৰাছিয়াত হ'বলগা চ'ছি (Sochi) শীতকালীন

অলিম্পিকৰ শিখা প্ৰজ্বলন নকৰাকৈ মহাকাশলৈ নিয়া হয়। ৯ নৱেম্বৰ, ২০১৩ তাৰিখে মহাকাশচাৰী অ'লেগ কটভে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ বাহিৰত ইয়াক লৈ খোজ কাঢ়ে। শিখাটো তেওঁৰ পোছাকৰ লগত এনেদৰে গাঁঠি দিয়া হৈছিল যাতে পৃথিৱীপৃষ্ঠৰপৰা ৪২০ কিমি. ওপৰৰ কক্ষপথত ঘূৰ্ণীয়মান হৈ ই আঁতৰি নাযায়। গোটেই মুহূৰ্তটি ধৰি ৰাখে মহাকাশচাৰী ছাৰ্গেই ৰাইজনেস্কিয়ে।

**দ্বিতীয় বিশ্বযুদ্ধৰ পিছত জাপানৰ বৃহৎ যুদ্ধ জাহাজ :** ২০১৩ চনৰ ৬ আগষ্টত জাপানে দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ইয়াৰ সৰ্ববৃহৎ যুদ্ধ জাহাজখন উন্মোচন কৰে। ইজুমো নামৰ জাহাজখনৰ বিমান উৰণ তলখনৰ দৈৰ্ঘ্য ২৫০ মি. আৰু ই ১৪ খন হেলিকপ্টাৰ কঢ়িয়াব পাৰে। ৰাষ্ট্ৰীয় প্ৰতিৰক্ষাৰ লগতে ছুনামী আৰু ভূমিকম্পৰ দৰে দুৰ্যোগ কালত ইয়াক ব্যৱহাৰ কৰা হ'ব। বিশেষজ্ঞৰ মতে ভৱিষ্যতে এই নতুন জাপানী জাহাজখন ফাইটাৰ জেট বা অন্যান্য বিমান উৰণৰ বাবেও ব্যৱহাৰ কৰিব পৰা যাব।

**ৰ'নাল্ডোলৈ পৰ্টুগালৰ সৰ্বোচ্চ সন্মান :** পৰ্টুগালৰ বিখ্যাত ফুটবল খেলুৱৈ ক্ৰিষ্টিয়ানো ৰ'নাল্ডোক পৰ্টুগালৰ সৰ্বোচ্চ সন্মান 'অৰ্ডাৰ অব ইনফাণ্টে ডি হেনৰিক'ৰ গ্ৰেণ্ড অফিচাৰ পদ আগবঢ়োৱা হৈছে। ফিফাৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ হিচাপে বেল'ন ডি অ'ৰ বঁটা লাভ কৰাৰ এসপ্তাহ পিছতে পৰ্টুগালৰ তাৰকা ফুটবলাৰগৰাকীয়ে এই বিৰল সন্মানৰ অধিকাৰী হয়। পৰ্টুগালৰ ৰাষ্ট্ৰপতি চাফাকো ছিলভাই যোৱা ২০ জানুৱাৰি, ২০১৪ত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰ'নাল্ডোক এই সন্মান আনুষ্ঠানিকভাৱে প্ৰদান কৰে। বিশ্ব ফুটবলৰ মানচিত্ৰত পৰ্টুগালক বহু ওপৰলৈ লৈ যোৱাৰ বাবে এই সন্মান লাভত উৎফুল্লিত হৈ পৰা ৰ'নাল্ডোৱে এয়া তেওঁৰ জীৱনৰ আটাইতকৈ গৌৰৱপূৰ্ণ মুহূৰ্ত বুলি উল্লেখ কৰে।

**ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ ৰঘুৰাম গোবিন্দৰাজন :** ৰঘুৰাম গোবিন্দৰাজন নামৰ বিশিষ্ট অৰ্থনীতিবিদজনে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ হিচাপে বৰ্তমান দায়িত্ব গ্ৰহণ কৰিছে। ২০০৮ চনৰ অৰ্থনৈতিক মন্দাৱস্থা শুদ্ধভাৱে ভৱিষ্যতবাণী কৰিব পৰা বাবে তেওঁ বিদ্বান সমাজত বিশেষভাৱে জনপ্ৰিয় হৈ পৰে। তেওঁ লিখা "Fault Lines : How Hidden Fractures Still Threaten the World Economy" নামৰ কিতাপখনে ফাইনেন্স টাইমছ বিজিনেছ বুকৰপৰা ২০১০ চনৰ বৰ্ষটোৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। আই আই এম আহমেদাবাদৰপৰা ব্যৱসায় প্ৰশাসনত স্বৰ্ণ পদকসহ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মেছাছুছেটচ প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰপৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰা গোবিন্দৰাজনে ৫০ বছৰ বয়সতে এই গুৰু দায়িত্ব লাভ কৰে।

**ষ্টেট বেংকৰ প্ৰথম মহিলা সভানেত্ৰী অৰুন্ধতী ভট্টাচাৰ্য :** দেশৰ বৃহত্তম বেংক 'ভাৰতীয় ষ্টেট বেংক'ৰ (SBI) প্ৰথম মহিলা সভানেত্ৰী হিচাপে অৰুন্ধতী ভট্টাচাৰ্যই অলপতে কাৰ্যভাৰ গ্ৰহণ কৰে। সভানেত্ৰী হিচাপে স্থলাভিক্ত হোৱাৰ পূৰ্বে তেওঁ ২০১৩ চনৰ আগষ্ট মাহৰপৰা পৰিচালন সঞ্চালক আৰু মুখ্য বিত্ত বিষয়াৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। শ্ৰীমতী ভট্টাচাৰ্যই ১৯৭৭ চনত প্ৰত্যক্ষ নিয়োগ বিষয়া হিচাপে যোগদান কৰি বিভিন্ন স্থান আৰু পদবীত সফলতাৰে দায়িত্ব পালন কৰিছিল আৰু সেই সুবাদতে তেওঁ এই গুৰুত্বপূৰ্ণ আৰু মৰ্যাদাসম্পন্ন পদবী লাভ কৰে।

**শেহতীয়া বিধানসভা নিৰ্বাচনৰ ফলাফল :**

যোৱা নৱেম্বৰ আৰু ডিছেম্বৰ মাহত ভাৰতৰ পাঁচখন ৰাজ্য— মধ্যপ্ৰদেশ, চটিশগড়, ৰাজস্থান, দিল্লী আৰু মিজোৰামত বিধানসভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। ২০১৪ চনৰ এপ্ৰিল/মে' মাহত অনুষ্ঠিতব্য

লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ পূৰ্বে অনুষ্ঠিত এই বিধানসভাৰ নিৰ্বাচনে বিশেষ তাৎপৰ্য বহন কৰিছে।

**দিল্লী** : ৭০ জনীয়া দিল্লী বিধানসভাত ভাৰতীয় জনতা পাৰ্টিয়ে ৩১ খন আসন লাভ কৰি বৃহত্তম দল হিচাপে পৰিগণিত হয়। আনহাতে নৱগঠিত আম আদমি পাৰ্টিয়ে ২৮ খন আসন লাভ কৰে। যোৱা পোন্ধৰ বছৰ একেৰাহে শাসনত থকা কংগ্ৰেছ দলে মাত্ৰ ৮ খন আসনহে দখল কৰিবলৈ সক্ষম হয়। অন্য আসনকেইখন আকালি দল, জনতা(স) আৰু নিৰ্দলীয়ই লাভ কৰে। কংগ্ৰেছ দলৰ বাহ্যিক সমৰ্থনত আম আদমি পাৰ্টিৰ সৰ্বসন্মত নেতা তথা ৰমণ মেগছেচে বঁটা বিজয়ী অৰবিন্দ কেজৰিৱালে দিল্লীৰ সপ্তম মুখ্যমন্ত্ৰীৰূপে ২৮ ডিচেম্বৰ, ২০১৩ তাৰিখে শপত গ্ৰহণ কৰে।

**ৰাজস্থান** : ২০০ জনীয়া ৰাজস্থান বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে ১৬৩ খন আসন দখল কৰি নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰাৰ যোগ্যতা অৰ্জন কৰে। আনহাতে শাসনাধিষ্ঠ কংগ্ৰেছ দলে মাত্ৰ ২১ খন আসনহে লাভ কৰিবলৈ সক্ষম হয়। বাকী অৱশিষ্ট ১৬ খন আসন নিৰ্দলীয় আৰু অন্যান্য দলবোৰে লাভ কৰে। এই নিৰ্বাচনত অভাৱনীয় সাফল্য লাভত মুখ্য ভূমিকা পালন কৰে বিজেপি নেত্ৰী তথা পূৰ্বৰ মুখ্যমন্ত্ৰী ৬০ বছৰীয়া বসুন্ধৰা ৰাজেই। তেওঁ দ্বিতীয়বাৰৰ বাবে ৰাজস্থানৰ মুখ্যমন্ত্ৰীৰূপে যোৱা ১৩ ডিচেম্বৰ, ২০১৩ তাৰিখে শপত গ্ৰহণ কৰে।

**মধ্যপ্ৰদেশ** : ২৩০ জনীয়া মধ্যপ্ৰদেশ বিধানসভা নিৰ্বাচনত তৃতীয়বাৰৰ বাবে নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে বিজেপি দলে ক্ষমতা দখল কৰিবলৈ সমৰ্থ হয়। অবিসম্বাদী নেতা শিৱৰাজ সিং চৌহানে একেৰাহে তৃতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰীৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। এই নিৰ্বাচনত বিজেপি দলে লাভ কৰা ১৬৫ খন আসনৰ বিপৰীতে কংগ্ৰেছ দলে মাত্ৰ ৫৮ খন আসন লাভ কৰে। অন্যান্য দলবোৰে ৭ খন আসন লাভ কৰিবলৈ সমৰ্থ হয়।

**ছটিচগড়** : সদ্য অনুষ্ঠিত ৯০ জনীয়া ছটিচগড় বিধানসভাৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে ৪৯ খন আসন দখল কৰি একেৰাহে তৃতীয়বাৰৰ বাবে ক্ষমতা লাভ কৰিবলৈ সমৰ্থ হয়। প্ৰধান বিৰোধী দল কংগ্ৰেছে ৩৯ খন আসন হস্তগত কৰে আৰু অন্যান্য দলে ২ খন আসন লাভ কৰে। ড° ৰমণ সিঙে তৃতীয়বাৰৰ বাবে ছটিচগড়ৰ মুখ্যমন্ত্ৰীৰূপে যোৱা ১২ ডিচেম্বৰ, ২০১৩ তাৰিখে শপত গ্ৰহণ কৰে।

**মিজোৰাম** : ২৫ নৱেম্বৰ তাৰিখে অনুষ্ঠিত মিজোৰাম বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছ দলে পুনৰ শাসন ক্ষমতা দখল কৰিবলৈ সমৰ্থ হয়। ৪০ জনীয়া বিধানসভাত কংগ্ৰেছ দলে লাভ কৰে ৩৪ খন আসন। আনহাতে মিজো নেছনেল ফ্ৰণ্ট আৰু মিজোৰাম গণতান্ত্ৰিক জোটে যৌথভাৱে ৬ খন আসনহে লাভ কৰিবলৈ সক্ষম হয়। কংগ্ৰেছ দলৰ নেতা লাল থানৱালা একেৰাহে দ্বিতীয়বাৰ তথা সৰ্বমুঠ পঞ্চমবাৰৰ বাবে মিজোৰামৰ মুখ্যমন্ত্ৰীৰূপে যোৱা ১৪ ডিচেম্বৰ, ২০১৩ তাৰিখে শপত গ্ৰহণ কৰে। লাল থানৱালাই প্ৰতিদ্বন্দ্বিতা কৰা চাৰচিপ আৰু হেংটুৰজো নামৰ এই দুয়োখন আসনতে জয়লাভ কৰে।

**ৰবীন্দ্ৰ সৰকাৰলৈ ২০১৩ চনৰ সাহিত্য অকাডেমি বঁটা :**

প্ৰসিদ্ধ অসমীয়া কবি ৰবীন্দ্ৰ সৰকাৰলৈ 'ধূলিয়ৰি ভৰিৰ সাচ' নামৰ গ্ৰন্থখনৰ বাবে ২০১৩ বৰ্ষৰ সাহিত্য অকাডেমি বঁটা আগবঢ়োৱা হৈছে। যোৱা ২১ জানুৱাৰি তাৰিখে অকাডেমিয়ে অসমীয়া ভাষাৰ বাবে এই বঁটা ঘোষণা কৰে। এই বঁটাৰ সৈতে তাম্ৰপত্ৰ, শ্বল আৰু ১ লাখ টকাৰ চেক সৰকাৰক প্ৰদান কৰা হ'ব। বঁটা প্ৰদান অনুষ্ঠান অহা ১১ মাৰ্চত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে অসমীয়া ভাষাৰ বঁটাৰ বাবে বিচাৰক মণ্ডলীত অৰুণ শৰ্মা, হৃষীকেশ

গোস্বামী আৰু ড° মালিনী গোস্বামী আছিল আৰু ২০০৯ চনৰ ১ জানুৱাৰিৰপৰা ২০১১ চনৰ ৩১ ডিছেম্বৰৰ ভিতৰত প্ৰকাশিত গ্ৰন্থহে এই সন্মানীয় বঁটাৰ বাবে বিবেচনা কৰাটো বাধ্যতামূলক আছিল। চাকৰিৰ তাগিদাত বৰ্তমান কলকাতাৰ বাসিন্দা শ্ৰীসৰকাৰে মৃত্যু পৰ্যন্ত অসমীয়া সমাজ-জীৱন আৰু সাহিত্য ক্ষেত্ৰত জড়িত হোৱাৰ বাবে হাবিয়াস ব্যক্ত কৰিছে। বঁটাপ্ৰাপক সৰকাৰে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত 'নৱযুগ' আলোচনীখনৰ জৰিয়তে অসমীয়া কাব্য জগতত আত্মপ্ৰকাশ কৰিছিল। বঁটাপ্ৰাপ্ত কাব্যগ্ৰন্থখন প্ৰকাশ কৰিছিল গুৱাহাটীৰ গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠান ষ্টুডেণ্টছ ষ্ট'ৰছে। ৭২ বছৰীয়া কবিগৰাকীয়ে সম্প্ৰতি হৰেকৃষ্ণ ডেকা, অৰূপা পটংগীয়া কলিতা, শীলভদ্ৰ, নীলমণি ফুকন, হীৰেন ভট্টাচাৰ্যকে ধৰি অন্যান্য অসমীয়া সাহিত্যিকৰ ৰচনাৰাজি বাংলা সাহিত্যলৈ অনুবাদ কৰা কাম একান্তমনে চলাই আছে।

**ধ্ৰুৱজ্যোতি ফুকনলৈ ২০১৪ চনৰ শ্ৰেষ্ঠ সংগীত ব্যৱস্থাপকৰ গিমা বঁটা** : অসম সন্তান তথা বলিউডৰ সংগীত ব্যৱস্থাপক আৰু সংগীত পৰিচালক ধ্ৰুৱজ্যোতি ফুকনে ২০১৪ বৰ্ষৰ সন্মানীয় 'গ্ল'বেল ইণ্ডিয়ান মিউজিক এৱাৰ্ড' চমুকৈ 'গিমা' বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। বলিউডৰ 'য়ে জৱানী হে দিৱানী' চলচ্চিত্ৰখনৰ 'বদতমীজ দিল' গীতটোৰ বাবে ফুকনে ২০ জানুৱাৰিত ঘোষণা কৰা এই জনপ্ৰিয় 'গিমা-২০১৪'ৰ শ্ৰেষ্ঠ সংগীত ব্যৱস্থাপক আৰু প্ৰগ্ৰেমাৰৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। মৰাণৰ পিয়লি নগৰত জন্মগ্ৰহণ কৰা ফুকনে ১৯৮৮ চনত গুৱাহাটীত সংগীতৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰাৰ পিছত ১৯৯৬ চনত মুম্বাইৰ সংগীত জগতখনত প্ৰৱেশ কৰে। শেহতীয়াকৈ ফুকনে বলিউডৰ কেইবাখনো চিনেমাৰ সংগীত পৰিচালনা কৰাৰ লগতে ভালেসংখ্যক জনপ্ৰিয় গীতৰ সংগীত ব্যৱস্থাপনা কৰিছে। মেকানিকেল অভিযন্তাৰ প্ৰথম শ্ৰেণীৰ ডিগ্ৰীধাৰী ফুকনে ইতিপূৰ্বে দুবাৰকৈ 'গিমা'ৰ মনোনয়ন লাভ কৰাৰ লগতে ৫৭ তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাও লাভ কৰিছে।

**নিউজ লাইভৰ বৰ্ষশ্ৰেষ্ঠ অসমীয়া : ড° জিতেন্দ্ৰ নাথ গোস্বামী** : বিশিষ্ট বিজ্ঞানী, চন্দ্ৰযানৰ অন্যতম ৰূপকাৰ, অসম সন্তান ড° জিতেন্দ্ৰনাথ গোস্বামীক ৰাজ্যখনৰ অন্যতম দূৰদৰ্শন প্ৰতিষ্ঠান 'নিউজ লাইভে' ২০১৩ চনৰ বৰ্ষশ্ৰেষ্ঠ অসমীয়া বঁটা প্ৰদান কৰিছে। অলপতে গুৱাহাটীৰ মাছখোৱাস্থিত সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত এক বৰ্ণাঢ্য কাৰ্যসূচীত ড° গোস্বামীক এই সন্মানীয় বঁটা প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি তেওঁ সমাজত বিজ্ঞান মানসিকতা সন্দৰ্ভত এক মনোজ্ঞ ভাষণ প্ৰদান কৰি আমাৰ সমাজখন কিয় এতিয়াও অন্ধবিশ্বাসৰপৰা মুক্ত হ'ব পৰা নাই, কি কি কাৰকে ইয়াত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছে, সেই সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। উল্লেখ্য, নিউজ লাইভে প্ৰতি বছৰে চেনেলটোৰ বৰ্ষপূৰ্তি অনুষ্ঠানত বৰ্ষশ্ৰেষ্ঠ অসমীয়া বঁটা প্ৰদান কৰি আহিছে। এইবাৰ ষষ্ঠ বৰ্ষপূৰ্তি উপলক্ষে ড° গোস্বামীক এই বঁটা প্ৰদান কৰা হয়।

**ভাৰতীয় ক্ৰিকেট ক্লাবৰ সৰ্বকনিষ্ঠ সদস্য** : ভাৰতীয় ক্ৰিকেটৰ 'আশ্চৰ্য বালক'ৰূপে পৰিচিত পৃথিৱী শ্ব'ক ঐতিহাসিক 'ক্ৰিকেট ক্লাব অব ইণ্ডিয়া' ক্লাবৰ সৰ্বকনিষ্ঠ সদস্যৰ সন্মান প্ৰদান কৰা হৈছে। যোৱা ২০১৩ চনত আন্তঃস্কুল ক্ৰিকেটত ৫৪৬ ৰাণৰ অবিস্মৰণীয় ইনিংছ খেলি দেশৰ দৃষ্টি আকৰ্ষণ কৰা পৃথিৱীয়ে ভাৰতীয় ক্ৰিকেট কিংবদন্তী সুনীল গাভাস্কাৰৰপৰা অভিনন্দন-পত্ৰ লাভ কৰে। প্ৰচুৰ প্ৰতিভাৰ সম্ভাৱনা থকা পৃথিৱীয়ে এই ক্লাবৰ সদস্যপদ লাভ কৰাৰ ক্ষেত্ৰত শচীনকো পিছ পেলাই যায়। শচীনে পোন্ধৰ বছৰ বয়সত এই ক্লাবৰ সদস্য পদ লাভ কৰাৰ বিপৰীতে পৃথিৱীয়ে মাত্ৰ চৈধ্য বছৰ বয়সতে এই সন্মানৰ অধিকাৰী হয়।

**অসম গৌৰৱ 'উপেন্দ্ৰ ৰাইচ' :** গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ এজন খেতিয়ক উপেন্দ্ৰ ৰাভাৰ নামত নামকৰণ কৰা হৈছে এবিধ ধানৰ নাম। উপেন্দ্ৰ ৰাইচ হিচাপে জনাজাত হৈ পৰা এই ধানবিধ দেখাত ক'লা। ধানৰ চাউলটো কিচকিচীয়া ক'লা। অতি সুগন্ধি আৰু আঠাযুক্ত এই চাউলবিধ খোৱাৰ উপৰিও পিঠা পোৱাৰ বাবে উপযুক্ত। ৰাজস্থানৰ উদয়পুৰত অনুষ্ঠিত এখন কৃষিমেলাৰপৰা এজন অসমীয়া কৃষি বিজ্ঞানীয়ে এক কিল'গ্ৰাম ধান আনি উপেন্দ্ৰ ৰাভাক দিছিল। কিন্তু সেই এক কিল'গ্ৰাম ধানৰ মাত্ৰ এটা ধানেহে গজালি মেলিলে। কৃষি বিজ্ঞানীৰ পৰামৰ্শ মতে মাত্ৰ এটা ধানেৰে ৰাভাই খেতি কৰিলে, ধান পালে ১৫০ গ্ৰাম। পিছৰ বছৰত ১৫০ গ্ৰাম খেতি কৰি ক'লা ধান পালে ৪৮ কিগ্ৰা.। এইবাৰ ৪৮ কিল'গ্ৰাম ধানৰ খেতি কৰি পালে ৪০ মোন। এটা ধানৰ গজালিৰপৰা এনেদৰে ৪০ মোনকৈ ধান উৎপাদন কৰা ঘটনাই কৃষক ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ধৈৰ্য আৰু একাগ্ৰতাৰে যে অসাধ্য সাধন কৰিব পাৰি তাৰ জ্বলন্ত উদাহৰণ উপেন্দ্ৰ ৰাভা।

**ভাৰতীয় মূলৰ অধ্যাপিকালৈ আমেৰিকাৰ শ্ৰেষ্ঠ শিক্ষয়িত্ৰীৰ বঁটা :** ভাৰতীয় মূলৰ আমেৰিকান অধ্যাপিকা মীৰা চন্দ্ৰশেখৰক প্ৰদান কৰা হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্ৰেষ্ঠ শিক্ষয়িত্ৰীৰ বঁটা। মিছৌৰী বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞানৰ কৃতি অধ্যাপিকা আৰু এগৰাকী বিশিষ্ট জ্যোতিৰ্বিজ্ঞানী চন্দ্ৰশেখৰক শ্ৰেষ্ঠ শিক্ষয়িত্ৰী হিচাপে বেইলৰ বিশ্ববিদ্যালয়ে ২০১৪ বৰ্ষৰ 'ৰবাৰ্ট ফ'ষ্টাৰ বেৰী' বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে। এই বঁটাৰ সৈতে তেওঁ লাভ কৰিব নগদ আঢ়ৈ লাখ ডলাৰ আৰু মিছৌৰী বিশ্ববিদ্যালয়ৰপৰা অতিৰিক্তভাৱে ২৫ হাজাৰ ডলাৰ। ১৯৬৮ চনত মহীশূৰ বিশ্ববিদ্যালয়ৰপৰা গণিত আৰু পদাৰ্থবিজ্ঞানত স্নাতক ডিগ্ৰী অৰ্জন কৰা চন্দ্ৰশেখৰে ১৯৭০ চনত মাদ্ৰাজৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰপৰা পদাৰ্থবিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল।

**৪৮ দিনত দক্ষিণ মেৰুত উপস্থিত ব্ৰিটিছ কিশোৰ :** এটি ১৬ বছৰীয়া ব্ৰিটিছ কিশোৰে ১৮ জানুৱাৰি, ২০১৪ তাৰিখে ৪৮ দিনত দক্ষিণ মেৰু যাত্ৰা সম্পূৰ্ণ কৰি নতুন অভিলেখ সৃষ্টি কৰে। এই কিশোৰটিৰ নাম লিৱিছ ক্লাৰ্ক। ক্লাৰ্কে যোৱা ২ ডিছেম্বৰত তেওঁৰ গাইড কাৰ্ল আলভেক লগত লৈ ১১২৯ কিল'মিটাৰ দূৰত্বৰ এই কষ্টকৰ আৰু বিপদসংকুল যাত্ৰা আৰম্ভ কৰে। তেওঁলোকে স্কীৰ যোগেদি বৰফৰ ওপৰেৰে এই যাত্ৰা কৰিছিল। এতিয়ালৈকে দক্ষিণ মেৰুত উপস্থিত হোৱা ক্লাৰ্কেই হ'ল কনিষ্ঠতম ব্যক্তি। ইয়াৰ পূৰ্বে ২০০5 চনৰ জানুৱাৰি মাহত ১৮ বছৰীয়া কানাডিয়ান ছাৰাহ আন মেকলায়াৰ লেণ্ড্ৰিয়ে কুকুৰ বা যন্ত্ৰচালিত বাহন ব্যৱহাৰ নকৰাকৈ দক্ষিণ মেৰুত উপস্থিত হৈছিল। ক্লাৰ্কৰ এই বিৰল সাফল্যই বিশ্বৰ বিদ্বৎ সমাজত চিন্তাৰ খোৰাক যোগাইছে। ◎

## তোমালোকে জানানে?

- *এটা শিশুৰ জন্মৰ প্ৰথম তিনিমাহত যি হাৰত ওজন বৃদ্ধি হয় একেই হাৰত পঞ্চাশ বছৰ বয়সলৈ বৃদ্ধি হৈ থাকিলে তেওঁৰ ওজন হ'ব প্ৰায় ৫৫০ কিল'গ্ৰাম।*
- *জিৰাফ আৰু মানুহৰ দাঁতৰ সংখ্যা একেই।*
- *অক্ট'পাছৰ তিনিটা হৃদপিণ্ড থাকে।*
- *জলহস্তীৰ ছালখন প্ৰায় ৪ ছেণ্টিমিটাৰ ডাঠ। সাধাৰণ বন্দুকৰ গুলীয়ে এই ছাল ভেদ কৰিব নোৱাৰে।*

২০১৪

**১ জানুৱাৰি :** ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে এদিনীয়া ক্ৰিকেটত ৩৬টা বলত শতক সম্পূৰ্ণ কৰে নিউজিলেণ্ডৰ অলৰাউণ্ডাৰ এণ্ডাৰছনে। এইটো এদিনীয়া ক্ৰিকেটৰ দ্ৰুততম শতক।

- নতুন বছৰৰ প্ৰথম দিনটোতে উত্তৰ কোৰিয়াই দক্ষিণ কোৰিয়া আৰু আমেৰিকাৰ বিৰুদ্ধে পাৰমাণৱিক বোমাৰ ব্যৱহাৰৰ কঠোৰ সকীয়নি দিয়ে।
- ৩১ ডিচেম্বৰ, ২০১৩ত অতুলানন্দ গোস্বামীলৈ ২০১৩ চনৰ অসম উপত্যকা সাহিত্য বঁটা ঘোষণা।

**৩ জানুৱাৰি :** ব্লক বাষ্টাৰ ছবি 'শ্বোলে'ৰ 3D সংস্কৰণ মুক্তি।

**৪ জানুৱাৰি :** বাংগালুৰুত অনুষ্ঠিত হোৱা ষষ্ঠ আন্তৰ্জাতিক ছবি মহোৎসৱত অসমৰ চলচ্চিত্ৰ পৰিচালক মঞ্জু বৰাৰ পৰিচালিত 'কঃয়াদ'ৰ শ্ৰেষ্ঠ ছবিৰ পুৰস্কাৰ লাভ।

- ব্ৰিছবেন ইণ্টাৰনেছনেল টেনিছ টুৰ্ণামেণ্টত খিতাপ জয় ছেৰেণা উইলিয়ামছৰ।

**৫ জানুৱাৰি :** প্ৰথমবাৰৰ বাবে ফ্ৰান্সৰ হ'পমেন কাপ জয়।

- পাকিস্তানক হৰুৱাই অনুৰ্ধ ১৯ ক্ৰিকেটৰ বিশ্বকাপ জয় ভাৰতৰ।
- কাটাৰ অপেনত স্পেইনৰ ৰাফেল নাডাল বিজয়ী। এইটো তেওঁৰ কেৰিয়াৰৰ ৬১ সংখ্যক খিতাপ।
- বাংলাদেশত ৰাষ্ট্ৰীয় নিৰ্বাচন, আৱামী লীগ জয়ী।
- চৰকাৰী ঘোষণা—নালন্দা বিশ্ববিদ্যালয় ফেব্ৰুৱাৰি মাহৰপৰা পুনৰ কাৰ্যক্ষম হ'ব। ১২ শতিকাতে ধ্বংস হোৱা এই বিশ্ববিদ্যালয়খন চীন, ভাৰত, চিংগাপুৰ, অষ্ট্ৰেলিয়া আদিকে ধৰি বহু দেশৰ সহযোগত পুনৰ কাৰ্যক্ষম কৰি তোলা হ'ব।

**৬ জানুৱাৰি :** ৰবীন্দ্ৰ ভৱনত অসম নাট মহোৎসৱ আৰম্ভ।

**৯ জানুৱাৰি :** আমেৰিকাত ভয়ংকৰ শীত প্ৰবাহ আৰম্ভ। নায়েংগ্ৰা জলপ্ৰপাতৰ পানী পৰ্যন্ত গোট মাৰে।

**১০ জানুৱাৰি :** য়ায়া টেক আফ্ৰিকাৰ বৰ্ষশ্ৰেষ্ঠ ফুটবলাৰ ঘোষণা।

**১১ জানুৱাৰি :** ইজৰাইলৰ প্ৰধানমন্ত্ৰী এৰিয়েল চেনৰ মৃত্যু।

**১৫ জানুৱাৰি :** বিখ্যাত মাৰাঠী কবি তথা একালৰ বিপ্লৱী সংগ্ৰামী নামদেউ ধাছালৰ মৃত্যু।

- ৰামায়ণী সাহিত্যৰ পণ্ডিত কনক চন্দ্ৰ ডেকাৰ দেহাৱসান।
- মেধা পাটেকাৰৰ আম আদমি পাৰ্টিত যোগদান।
- বিশিষ্ট লোকশিল্পী, দৰঙী কলা-কৃষ্টিৰ বিশিষ্ট সাধক, ওজা, সূত্ৰধাৰী আৰু ভাৰৰীয়া ওজা সফল শিল্পী বীৰেন্দ্ৰ শৰ্মালৈ বকুলবনৰ বঁটা প্ৰদানৰ আনুষ্ঠানিক ঘোষণা। ২৭ জানুৱাৰিত এই বঁটা প্ৰদান কৰা হয়। বকুলবনৰ কবি আনন্দ চন্দ্ৰ বৰুৱাৰ স্মৃতিত এই বঁটা প্ৰদান কৰা হয়।

**১৬ জানুৱাৰি :** ঐতিহাসিক জোনবিল মেলা (মৰিগাঁও জিলা) আৰম্ভ।

**১৭ জানুৱাৰি :** অসমীয়া ছবি 'চিঞৰ'ৰ শুভমুক্তি।

**২২ জানুৱাৰি :** ৫৩ সংখ্যক বড়ো সাহিত্য সভা গোলাঘাট জিলাৰ ঐতিহাসিক বিষ্ণুবিজয় নগৰত অনুষ্ঠিত হয়। ◎

## তোমালোকে জানানে?

- *এটা প্ৰাপ্তবয়স্ক মকৰাই বছৰি গড়ে প্ৰায় ২০০০টা পতংগ ভক্ষণ কৰে।*
- *চন্দ্ৰপৃষ্ঠত খেলা একমাত্ৰ খেলবিধ হ'ল গ'ল্‌ফ।*
- *ইণ্টাৰনেটৰ আটাইতকৈ ডাঙৰ কিতাপ বিক্ৰেতা প্ৰতিষ্ঠানটো হ'ল amazon.com।*

# ২০১৩ চনৰ বিজ্ঞানজগত

■ অভিজিত শৰ্মা বৰুৱা

**ভাৰতৰ মংগলযান :** ২০১৩ চনৰ বিজ্ঞান জগতত বহুকেইটা গুৰুত্বপূৰ্ণ ঘটনা ঘটি গৈছে। এই চনত ভাৰতৰ বাবে এক উল্লেখযোগ্য কৃতিত্ব হ'ল মংগল গ্ৰহ অভিমুখে মংগলযান নামৰ এখন মানৱবিহীন যান প্ৰেৰণ। ২০১৩ চনৰ ৫ নৱেম্বৰত ভাৰতে সফলতাৰে এই যান উৎক্ষেপন কৰে। এতিয়া এই যানে পৃথিৱীৰ মধ্যাকৰ্ষণৰপৰা মুক্ত হৈ মংগল গ্ৰহ অভিমুখে যাত্ৰা আৰম্ভ কৰিছে। ২০১৪ চনৰ ২৪ ছেপ্টেম্বৰত এই যান গৈ মংগল গ্ৰহত উপনীত হোৱাৰ কথা। এই অভিযান সফল হ'লে ভাৰত এনে অভিযানৰ ক্ষেত্ৰত এছিয়াৰ প্ৰথমখন আৰু বিশ্বৰ চতুৰ্থখন (ছোভিয়েট ইউনিয়ন, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপিয়ান ইউনিয়নৰ পাছত) ৰাষ্ট্ৰ হ'ব।

**আইছন ধূমকেতু :** পৃথিৱীবাসীক হতাশ কৰি বহু প্ৰতীক্ষিত আৰু চৰ্চিত আইছন ধূমকেতু এই বছৰতে ধ্বংস হৈ যায়। ২০১২ চনৰ ছেপ্টেম্বৰত এই ধূমকেতুটো আৱিষ্কৃত হৈছিল। ২০১৩ চনৰ ২৮ নৱেম্বৰত সূৰ্যৰ একেবাৰে ওচৰ চপাৰ সময়তে ই ভাঙি-ছিঙি নিশ্চিহ্ন হৈ যায়। 'শতিকাৰ ধূমকেতু' বুলি অভিহিত এই ধূমকেতুটো এনেদৰে এক 'ফ্লপ শ্ব'ত পৰিণত হ'ল।

**ভয়েজাৰ-১ৰ সাফল্য :** ২০১৩ চনত মহাকাশত সংঘটিত কেইটামান গুৰুত্বপূৰ্ণ ঘটনা হ'ল—নাছাৰ মহাকাশযান ভয়েজাৰ-১য়ে সৌৰজগতৰ বাহিৰত অৱস্থান গ্ৰহণ কৰি এই ক্ষেত্ৰত প্ৰথম মহাকাশযান হিচাপে পৰিগণিত হৈছে।

বিগত বৰ্ষতেই আন এখন 'সৌৰজগত'ত হোৱা সূৰ্যগ্ৰহণ সদৃশ ঘটনা জ্যোতিৰ্বিজ্ঞানীসকলে প্ৰত্যক্ষ কৰিবলৈ সক্ষম হৈছে। আনহাতে ইৰাণে মহাকাশযানৰ যোগেদি মহাকাশলৈ এটা বান্দৰ প্ৰেৰণ কৰিছে।

**২০১৩ চনৰ দহটা গুৰুত্বপূৰ্ণ ঘটনা :** 'ছায়েন্স' পত্ৰিকাৰ সম্পাদকসকলে ২০১৩ চনত বিশ্বৰ বিজ্ঞানজগতত হোৱা কিছুমান উল্লেখযোগ্য আৱিষ্কাৰৰ পৰা দহটা আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা বাছনি কৰি উলিয়াইছে। তেওঁলোকে অৱশ্যে প্ৰথমটোক 'বিজয়ী' বুলি অভিহিত কৰি বাকী নটাক 'ৰাণাৰ্ছ আপ' বুলিহে অভিহিত কৰিছে। সেই দহটা ঘটনা হ'ল এনে ধৰণৰ :

**১. কেন্সাৰ ইমিউন'লজি :** এই বছৰ কেন্সাৰ ৰোগৰ চিকিৎসাত এক অভিনৱ পদ্ধতিৰ বিকাশ ঘটিছে। অস্বাভাৱিকভাৱে বাঢ়ি অহা টিউমাৰৰ গঠনত বাধা দিবলৈ এক স্বাভাৱিক প্ৰতিৰক্ষা তন্ত্ৰ বিকশিত কৰাত বিজ্ঞানীসকল সফল হৈছে। যদিও এয়া প্ৰাথমিক পৰ্যায়তে আছে, তথাপি ই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ১৯৮৭ চনত টি কোষত থকা CTLA-4 নামৰ এক প্ৰ'টিন গ্ৰাহক আৱিষ্কৃত হৈছিল। দেখা গৈছিল যে এইবিধ প্ৰ'টিনে টি কোষবোৰক নিজৰ কাম কৰিবলৈ নিদিয়ে আৰু তাৰ ফলত প্ৰতিৰক্ষা তন্ত্ৰটোৱে বাঞ্চিত কাম কৰিবলৈ অসমৰ্থ হয়। নতুন চিকিৎসা পদ্ধতিটোত এক এণ্টিবডিয়ে টি কোষৰ এই প্ৰ'টিন গ্ৰাহকক বাধা দিব পাৰে। ই এক শৃংখল বিক্ৰিয়াৰ আৰম্ভণি ঘটায় যাৰ ফলত টি কোষ বা প্ৰতিৰক্ষা তন্ত্ৰই টিউমাৰটোক পূৰ্ণ শক্তিৰে আক্ৰমণ কৰি তাৰ বাঢ়নত বাধা দিব পাৰে।

এই চিকিৎসা পদ্ধতিয়ে ইতিমধ্যে কিছুমান পৰীক্ষাৰদ্বাৰা নিজৰ গ্ৰহণযোগ্যতা প্ৰমাণ কৰিবলৈ সক্ষম হৈছে। ইমিউন'থেৰাপীয়ে কেন্সাৰৰ চিকিৎসাক এক নতুন দিশ দিছে। ই টিউমাৰক প্ৰত্যক্ষভাৱে লক্ষ্য কৰি লোৱা নাই, ইয়াৰ মূল লক্ষ্য দেহৰ প্ৰতিৰক্ষা পদ্ধতিহে। জেমছ এলিছন নামৰ এজন বিজ্ঞানীয়ে প্ৰথমে ধাৰণা কৰিলে যে CTLA-4 নামৰ প্ৰ'টিন গ্ৰাহকবিধক বাধা দি প্ৰতিৰক্ষা তন্ত্ৰক কেন্সাৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ মুকলি কৰি দিব পৰা যায়। এই ক্ষেত্ৰত প্ৰথম পৰীক্ষা আৰম্ভ হ'ল ২০০৬ চনত। তাৰ পাছত বিভিন্ন সফল পৰীক্ষা-নিৰীক্ষাৰ পৰিপ্ৰেক্ষিতত ২০১১ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফুড এণ্ড ড্ৰাগ এডমিনিষ্ট্ৰেছনে 'ইপিলিমুমাব' (IPILIMUMAB) নামৰ এণ্টি CTLA-4 চিকিৎসাত অনুমোদন জনায়। এতিয়া প্ৰায় পাঁচটা বৃহৎ ড্ৰাগ

কোম্পানীয়ে এই থেৰাপীৰে চিকিৎসাৰ কাম কৰি আছে। অৱশ্যে এতিয়া ইয়াৰ খৰচো যথেষ্ট বেছি। এটা থেৰাপীত প্ৰায় ১,২০,০০০ ডলাৰ খৰচ পৰে।

**২. জিন এডিটিং কৌশল CRISPR** : এই বছৰতে CRISPR নামৰ এটা জিন এডিটিং কৌশল আৱিষ্কৃত হৈছে। এই কৌশল Cas9 নামৰ এবিধ প্ৰ'টিনৰ ওপৰত নিৰ্ভৰশীল। কিছুমান বেক্টেৰিয়াই এই প্ৰ'টিন ব্যৱহাৰ কৰি আক্ৰমণকাৰী ভাইৰাছবোৰৰ ডিএনএবোৰ কাটি টুকুৰা-টুকুৰ কৰিব পাৰে। ২০১২ চনত এদল বিজ্ঞানীয়ে দেখুৱালে যে তেওঁলোকে এই প্ৰ'টিনক ছাৰ্জাৰীৰ চুৰী হিচাপে ব্যৱহাৰ কৰি জিনৰ মাইক্ৰ'ছাৰ্জাৰী কৰিব পাৰে। ২০১৩ চনত কেইবাটাও বিজ্ঞানীৰ দলে এই প্ৰ'টিন ব্যৱহাৰ কৰি মাইক্ৰ'ছাৰ্জাৰীৰ সহায়ত নিগনি, এন্দুৰ, বেক্টেৰিয়া, ঈষ্ট আদিৰ কিছুমান জিনক বিশেষ ৰূপ দিবলৈ সমৰ্থ হ'ল। আনকি মানুহৰ জিনৰ ক্ষেত্ৰতো এই পদ্ধতি ব্যৱহাৰ কৰা হৈছে। জিনবোৰে কেনেকৈ কাম কৰে আৰু কেনেকৈ জিনবোৰ ব্যৱহাৰ কৰি উপযুক্ত চিকিৎসা বা স্বাস্থ্যৰ উন্নতি ঘটোৱাটো সম্ভৱ—সেই কথা জনাৰ ক্ষেত্ৰত এই কৌশলে যথেষ্ট সহায় কৰিব পাৰিব।

**৩. Clarity- মগজুৰ ইমেজ সৃষ্টি কৰাৰ কৌশল** : ২০১৩ চনত মগজুৰ ইমেজ বা চিত্ৰ সৃষ্টি কৰাৰ এক কৌশল আৱিষ্কৃত হৈছে, যি মগজুৰ কলাবোৰ স্বচ্ছ কৰি তোলে। Clarity নামৰ এই কৌশলে সাধাৰণ ব্ৰেইন ইমেজিঙৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ বাধাটো আঁতৰ কৰিবলৈ সক্ষম হৈছে। সেয়া হ'ল ফেটি লিপিড অণুৰে সৃষ্টি কৰা বাধা। এনে অণুৰ বাবে কোষীয় আৱৰণবোৰে পোহৰৰ আস্তৰণ ঘটায় আৰু মগজুৰ ইমেজ অস্বচ্ছ কৰি তোলে। এই কৌশলৰ সহায়ত এক বিশেষ ধৰণৰ অণুৰ সহায়ত লিপিডবোৰ প্ৰতিস্থাপন কৰি মগজুৰ স্নায়ু কোষ আৰু আন গঠনবোৰ দৃশ্যমান কৰি তুলিব পৰা যায়। এই পদ্ধতিৰ সহায়ত নিউৰণবোৰো অধিক শুদ্ধভাৱে আৰু সুদক্ষভাৱে গণিব পৰা যাব।

**৪. মানৱ ক্ল'নিং** : বিজ্ঞানীসকলে প্ৰথমবাৰৰ বাবে ক্লনিং কৰা বা ক্ল'নড মানৱ ভ্ৰূণৰ পৰা 'ষ্টেম চেল' বা কাণ্ড কোষ পাবলৈ সক্ষম হৈছে। কাণ্ড কোষবোৰ শৰীৰৰ যি কোনো ধৰণৰ কোষলৈ ৰূপান্তৰিত হ'ব পাৰে। সেইবাবে তেনে কোষৰ সহায়ত বেমাৰৰ সম্পৰ্কত অধ্যয়ন কৰা আৰু তেনে বেমাৰ দূৰ কৰা কামত আগবাঢ়িব পাৰি। আগতে বিভিন্ন ধৰণৰ জীৱৰ কোষৰ ক্লনিং কৰা হৈছিল। পাছে মানৱ ভ্ৰূণৰ ক্লনিং কৰাটো যথেষ্ট জটিল আছিল। এইবাৰ প্ৰথমবাৰৰ বাবে মানৱ ভ্ৰূণৰ ক্লনিং কৰা হ'ল।

**৫. ক্ষুদ্ৰ অংশ সৃষ্টি** : বিজ্ঞানীসকলে বিশেষ ধৰণৰ প্লুৰিপটেণ্ট (Pluripotent) কাণ্ড কোষৰ সহায়ত কিছুমান ক্ষুদ্ৰ অংগ গঠন কৰাত সমৰ্থ হৈছে। সেয়া হ'ল অপৈণত লিভাৰ, ক্ষুদ্ৰ কিডনী, সৰল মানৱ মগজু আদি। এইবোৰ তৈয়াৰ কৰা হৈছে গৱেষণাগাৰত। অৱশ্যে গৱেষণাগাৰত তৈয়াৰী সেই মগজুত তেজৰ কোনো যোগান নাই আৰু আকাৰতো ই আপেলৰ গুটি এটাতকৈ ডাঙৰ নহয়। তথাপি তাৰ কলা আৰু গঠন আচৰিতধৰণে বিকাশৰ পৰ্যায়ত থকা মানৱ মগজুৰ সৈতে মিলে। দেখা গৈছে যে 'মাইক্ৰচেফালি' (Microcephaly) নামৰ এক লক্ষণৰ বাবে কোনো মানুহৰ মগজু তাৰ পূৰ্ণ আকাৰলৈ বিকশিত নহয়। এই আৱিষ্কাৰৰ সহায়ত বিজ্ঞানীসকলে এই লক্ষণৰ উহ উলিওৱাৰো চেষ্টা কৰিছে।

**৬. মহাজাগতিক ৰশ্মিৰ উৎস** : বিজ্ঞানীসকলে এইবাৰ মহাজাগতিক ৰশ্মিক তাৰ উৎসলৈকে চাবলৈ সক্ষম হৈছে। ছুপাৰনোভা বিস্ফোৰণৰ পাছত সৃষ্টি হোৱা আৱৰ্জনাৰ পৰা এই উচ্চশক্তিসম্পন্ন ৰশ্মিবোৰ সৃষ্টি হয়। তত্ত্বগত বিজ্ঞানীসকলে আগৰ পৰাই ধাৰণা কৰি আহিছিল যে বেছিভাগ মহাজাগতিক ৰশ্মি ডাঙৰ বিস্ফোৰিত তৰা বা ছুপাৰনোভাৰ পৰা উদ্ভুত শ্বক (Shock) তৰংগৰ যোগেদি ত্বৰিত হয়। পাছে মহাকাশৰ চুম্বকীয় ক্ষেত্ৰবোৰে এই কণাবোৰৰ গতিত বাধা জন্মায় আৰু তাক উৎসলৈকে সন্ধান কৰাটো অসম্ভৱ কৰি তোলে। গতিকে জ্যোতিৰ্বিজ্ঞানীসকলে মহাজাগতিক ৰশ্মিৰ কণাবোৰ আৰু মহাকাশীয় অঞ্চলত থকা ক্ষুদ্ৰ পৰমাণুৰ লগত খুন্দা খাই সৃষ্টি হোৱা বিকিৰণৰ সহায়ত সেইবোৰৰ বিষয়ে

অধ্যয়ন কৰিবলগীয়া হৈছিল। ২০১৩ চনত ফাৰ্মি গামা ৰশ্মি স্পেচ টেলিস্কোপৰ সহায়ত জ্যোতির্বিদসকলে মহাজাগতিক ৰশ্মি ই সৃষ্টি হোৱা স্থানলৈকে চাবলৈ সক্ষম হৈছে।

**৭. নতুন সৌৰকোষ দ্ৰব্য** : বিজ্ঞানীসকলে ২০১৩ চনত পেৰ'ভস্কাইট (Perovskite) নামৰ এবিধ সৌৰকোষ দ্ৰব্য আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে। গৱেষণাগাৰত চলোৱা পৰীক্ষাৰ যোগেদি জানিব পৰা গৈছে যে সেই দ্ৰব্যবিধ সূৰ্যৰ ৰশ্মিত নিহিত শক্তিৰ ১৫ শতাংশ শক্তি বিদ্যুৎ শক্তিলৈ পৰিণত কৰিবলৈ সক্ষম। এই মান বৰ্তমানে ব্যৱহৃত বাণিজ্যিক ছিলিকন সৌৰকোষতকৈ এতিয়াও কম হ'লেও নতুন দ্ৰব্যবিধে শক্তি সৃষ্টিৰ ক্ষেত্ৰত দ্ৰুতভাৱে উন্নতি কৰিছে আৰু নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে।

**৮. টোপনিয়ে মগজু মেৰামতি কৰে** : ২০১৩ চনতে এক নতুন কথা জানিব পৰা গৈছে যে টোপনিয়ে মগজুক পুনৰ স্বাভাৱিক অৱস্থালৈ নিয়া আৰু মেৰামতি কৰাত সহায় কৰে। অৱশ্যে এই পৰীক্ষা নিগনিৰ ওপৰতহে কৰা হৈছে। নিগনিৰ ওপৰত কৰা গৱেষণাৰ পৰা জনা গৈছে যে যেতিয়া নিগনিবোৰ টোপনি যায়, তেতিয়া সিহঁতৰ মগজুৰ নিউৰণৰ মাজত থকা চেনেলবোৰ প্ৰসাৰিত হয় আৰু মগজুত থকা 'চেৰিব্ৰস্পাইনেল' তৰলে কিছুমান অপকাৰী দ্ৰব্য বাহিৰলৈ উলিয়াই দিয়ে। যিবোৰ দ্ৰব্য বাহিৰলৈ উলিয়াই দিয়ে বুলি জানিব পৰা গৈছে, তাৰ ভিতৰত আছে এবিধ প্ৰ'টিন, যিবিধ প্ৰ'টিন মানুহৰ আলজেইমাৰ্ছ ৰোগৰ লগত সম্পৰ্কিত।

**৯. মানুহৰ দেহৰ ভিতৰত থকা বেক্টেৰিয়াৰপৰা উপকাৰ** : মানুহৰ দেহৰ ভিতৰত ট্ৰিলিয়নৰ (এক লাখ কোটি) হিচাপত বিভিন্ন বেক্টেৰিয়া থাকে। মানৱ শৰীৰৰ অপুষ্টিতা আৰু কেন্সাৰৰ দৰে ৰোগৰ প্ৰত্যাহ্বানৰ ক্ষেত্ৰত এই বেক্টেৰিয়াবোৰে কেনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেই সম্পৰ্কত বিজ্ঞানীসকলে কিছুমান তাৎপৰ্যপূৰ্ণ তথ্য উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। লগতে এই সম্ভাৱনাৰো সৃষ্টি হৈছে যে এনে বেক্টেৰিয়াবোৰৰ উপযুক্ত ব্যৱহাৰৰদ্বাৰা এনে প্ৰত্যাহ্বানবোৰৰ কিছু পৰিমাণে মোকাবিলা কৰিব পৰা যায়। বিভিন্ন মানুহৰ বাবে বিভিন্ন বেক্টেৰিয়াই এনে ধৰণৰ কাম কৰে আৰু সেইবাবে হয়তো সেই মাইক্ৰবিয়েল আলহীবোৰক কাম কৰাবলৈ 'পাৰ্ছনেলাইজড' দৰৱ ব্যৱহাৰ কৰিবলগীয়া হ'ব পাৰে।

**১০. জীৱনৰ অণুবোৰৰ অধ্যয়ন** : 'ষ্ট্ৰাকছাৰেল বায়লজি' নামৰ এক শাখা আছে, য'ত জীৱনৰ অণুবোৰৰ সম্পৰ্কত অধ্যয়ন কৰা হয়। বিজ্ঞানীসকলে এনে অধ্যয়নৰ জৰিয়তে 'ৰেছপিৰেটৰি ছিনচিটিয়েল ভাইৰাছ' (Respiratory syncytial virus বা RSV) নামৰ ভাইৰাছৰ বিৰুদ্ধে যুঁজিব পৰা এবিধ ভেক্সিনত থাকিবলগীয়া পদাৰ্থবোৰ বিচাৰি উলিয়াবলৈ সক্ষম হৈছে। প্ৰতি বছৰে নিযুত সংখ্যক শিশু এই RSV ভাইৰাছৰদ্বাৰা আক্ৰান্ত হয়। ২০১৩ চনত বিজ্ঞানীসকলে RSVৰ বিৰুদ্ধে যুঁজিব পৰা এবিধ এণ্টিবডি 'ক্ৰিষ্টেলাইজ' কৰিবলৈ সক্ষম হ'ল, তাৰ পাছত তাৰ গঠন পৰীক্ষা কৰিলে, সেই তথ্যৰ সহায়ত এক 'ইমিওন'জেন' (Immunogen) ডিজাইন কৰিবলৈ সক্ষম হ'ল। এতিয়া তাৰদ্বাৰা RSVৰ ভেক্সিন তৈয়াৰ কৰিব পৰা গৈছে। কিছু বিজ্ঞানীয়ে এই আশাও কৰিছে যে একে কৌশলেৰে এইডছৰ ভেক্সিনো উলিয়াব পৰা যাব। ◎

## তোমালোকে জানানে?

- *১৯৯০ চনত ৰিচেছন (Recession) শব্দটো ৱাল ষ্ট্ৰিট জাৰ্নেলত ১৫৮৩ বাৰ ওলাইছিল।*
- *হামিংবাৰ্ডেই হ'ল একমাত্ৰ চৰাই যি পিছফাললৈও উৰিব পাৰে।*
- *ঘড়ীৰ কাঁটাৰ দিশত সূৰ্যক প্ৰদক্ষিণ কৰা একমাত্ৰ গ্ৰহটো হ'ল বুধ গ্ৰহ।*

**আটাইতকৈ দূৰৰ নক্ষত্ৰপুঞ্জ :** বিজ্ঞানীসকলে Z8-GND-5296 নামৰ এক নক্ষত্ৰপুঞ্জৰ অৱস্থিতি ধৰা পেলাইছে। এই নক্ষত্ৰপুঞ্জটো বিগ বেঙৰপৰা ৭০০ বিলিয়ন বছৰ পিছৰপৰা গঠন হ'বলৈ আৰম্ভ কৰা বুলি প্ৰমাণ পোৱা গৈছে। ই এতিয়ালৈকে আৱিষ্কৃত নক্ষত্ৰপুঞ্জবিলাকৰ ভিতৰত আটাইতকৈ দূৰত অৱস্থিত। ইয়াৰ ভিতৰত নক্ষত্ৰ সৃষ্টিৰ বাবে হোৱা পৰিবৰ্তন বৰ খৰতকীয়া।

এই নক্ষত্ৰপুঞ্জৰপৰা হাবল স্পেচ টেলিস্ক'পলৈ পোহৰ আহি পাবলৈ প্ৰায় ১৩.১ বিলিয়ন বছৰ সময়ৰ প্ৰয়োজন হয়। ই আমাৰ সূৰ্যতকৈ প্ৰায় ১ বিলিয়ন গুণে গধুৰ।

**পৃথিৱী-২ৰ সফল পৰীক্ষা :** উড়িষ্যাৰ বালাচোৰৰপৰা পৃথিৱী-২ মিছাইলটো সফলভাৱে ৩ ডিছেম্বৰ ২০১৩ তাৰিখে পৰীক্ষামূলকভাৱে নিক্ষেপ কৰা হয়। এই ক্ষেপণাস্ত্ৰবিধে নিউক্লিয় অস্ত্ৰ কঢ়িয়াব পাৰে আৰু ই ৩০০ কিমি. পৰ্যন্ত দূৰত্বত থকা লক্ষ্যবস্তুত নিৰ্ভুলভাৱে আঘাত হানিব পাৰে।

**'ব্ৰাহ্মচ'ৰ চাবমেৰিন সংস্কৰণৰ পৰীক্ষা :** বংগোপসাগৰৰ বিশাখাপট্টনম উপকূলৰপৰা 'ব্ৰাহ্মচ'ৰ চুপাৰ চ'নিক মিছাইলবিধৰ পৰীক্ষামূলক উৎক্ষেপণ কৰা হয় (২০ মাৰ্চ, ২০১৩)। সাগৰীয় যুদ্ধ জাহাজৰপৰা উলম্বভাৱে উৎক্ষেপণ কৰা বিশ্বত এয়াই প্ৰথম চুপাৰ চ'নিক মিছাইল আৰু ইয়াৰ পৰিসৰ ২৯০ কিমি.।

**পৰীক্ষাগাৰত বৃক্ক প্ৰস্তুতকৰণ :** আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিজ্ঞানীসকলে পৰীক্ষাগাৰত নিগনিৰ বাবে বৃক্ক প্ৰস্তুত কৰি উলিয়াইছে। পিছৰ পৰ্যায়ত তেওঁলোকে সুস্থ নিগনিৰ দেহৰপৰা বৃক্ক আঁতৰাই তাৰ ঠাইত পৰীক্ষাগাৰত প্ৰস্তুত কৰা বৃক্ক সফলভাৱে সংৰোপণ কৰে আৰু এই বৃক্ক নিগনিৰ দেহত কাৰ্যক্ষম হৈ থাকে। আশা কৰা যায় যে এইদৰে মানৱ দেহতো বিভিন্ন অংগৰ সংৰোপণ কৰিব পৰা যাব।

**পৃথিৱীসদৃশ গ্ৰহৰ আৱিষ্কাৰ :** ইউৰোপীয়ান চাউডাৰ্ন অবজাৰভেটৰিৰ (Europian Southern Observatory) মহাকাশ বিজ্ঞানীসকলে ৩টা পৃথিৱীসদৃশ গ্ৰহৰ সন্ধান পাইছে। এই গ্ৰহ তিনিটাই 'বৃশ্চিক-নক্ষত্ৰপুঞ্জৰ 'গ্লিছ ৬৬৭চি' নামৰ নক্ষত্ৰটোক প্ৰদক্ষিণ কৰে। এই গ্ৰহ তিনিটাই নক্ষত্ৰটোৰ গল্ডি লক্‌চ জ'নত (Goldi Locks Zone) অৱস্থিত। গল্ডি লক্‌চ জ'ন নক্ষত্ৰ এটাৰপৰা এনে দূৰত্বৰ অঞ্চল য'ত থকা গ্ৰহবোৰত পানী থাকিলে জুলীয়া অৱস্থাত থাকিব পাৰে। গ্ৰহকেইটা সৌৰজগতৰপৰা প্ৰায় ২২ পোহৰ বৰ্ষ দূৰত্বত অৱস্থিত। বিজ্ঞানীসকলে এই তথ্য ২৫ জুন, ২০১৩ তাৰিখে সদৰি কৰে। ◎

## চুডকু ১

তলৰ বৰ্গক্ষেত্ৰ আকৃতিটোৰ ৬টা শাৰী আৰু ৬টা স্তম্ভৰ জালখন এনেদৰে পূৰ কৰা যাতে প্ৰতিটো শাৰী আৰু স্তম্ভৰ বৰ্গক্ষেত্ৰত ১ৰপৰা ৬লৈ অংককেইটা মাত্ৰ এবাৰকৈহে বহে।

| | | | | | |
|---|---|---|---|---|---|
| 2 | | 1 | 6 | 3 | 4 |
| | 4 | 6 | 2 | 5 | |
| 1 | 2 | 5 | | 6 | 3 |
| 4 | 6 | 3 | 5 | | 2 |
| | 1 | 4 | | 2 | 6 |
| 6 | 3 | 2 | 1 | | 5 |

## ভাৰতৰত্ন চি.এন.আৰ.ৰাও

২০১৩ চনৰ ৰসায়ন বিজ্ঞানৰ ন'বেল বঁটা প্ৰদান কৰা হয় ভাৰতৰ প্ৰসিদ্ধ বিজ্ঞানী চিন্তামণি নাগেছা ৰামচন্দ্ৰ ৰাওক। ৭৯ বছৰীয়া বিজ্ঞানী ৰাওৱে ইতিমধ্যে বহুকেইটা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সন্মানেৰে বিভূষিত হৈছে। ৬০ বছৰ আগতেই প্ৰকাশ কৰা তেওঁৰ গৱেষণা-পত্ৰৰ পিছত এতিয়ালৈ ১৫০০ খনতকৈ অধিক গৱেষণা-পত্ৰ প্ৰকাশ হৈছে। তেওঁ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ বৈজ্ঞানিক উপদেষ্টা পৰিষদৰ সদস্য আছিল। পাছলৈ তেওঁ ৰাজীৱ গান্ধী, ডেবেগৌড়া, ইন্দ্ৰ কুমাৰ গুজৰাল আৰু মনমোহন সিঙৰ বৈজ্ঞানিক উপদেষ্টা পৰিষদৰ মুৰব্বী হয়। আমেৰিকাৰ পাৰডু বিশ্ববিদ্যালয়পৰা ডক্টৰেট ডিগ্ৰী লৈ কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ত গৱেষণা সহযোগীৰূপে কাম কৰাৰ পাছত ১৯৫৯ চনত ভাৰতলৈ আহি ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছায়েন্সত যোগদান কৰে। কানপুৰ আই আই টিলৈ গৈ আকৌ ঘূৰি আহি তেওঁ ইণ্ডিয়ান ইন্‌ষ্টিটিউট অৱ ছায়েন্সত মেটেৰিয়েলচ ছায়েন্স চেণ্টাৰ আৰু চ'লিড ষ্টেট এণ্ড ষ্ট্ৰক্‌চাৰেল কেমিষ্ট্ৰি গোট প্ৰতিষ্ঠা কৰে।

১৯৮৪ৰপৰা ১৯৯৪ চনলৈ ৰাও ইণ্ডিয়ান ইন্‌ষ্টিটিউট অৱ চায়েন্স (Indian Institute of Science) ৰ সঞ্চালক হিচাপে কৰ্মৰত হয়। এই সময়ত তেওঁ এই অনুষ্ঠানটোৰ প্ৰসাৰ আৰু পৰিবৰ্তনৰ বাবে বহুখিনি কাম কৰি যায়। তেওঁ বাংগালুৰুৰ জৱাহৰলাল নেহেৰু চেণ্টাৰ ফৰ এডভান্সড চাইণ্টিফিক ৰিছাৰ্চ (Jawaharlal Nehru Centre for Advanced Scientific Research) (JNCASR)ৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। ভাৰত ৰত্ন অধ্যাপক ৰাও চাইনিজ একাডেমি অৱ ছায়েন্সলৈ (Chinese Academy of Science) নিৰ্বাচিত ভাৰতৰ প্ৰথমগৰাকী বিদেশী সদস্য। এই একাডেমিত পৃথিৱীৰ বহু বিখ্যাত ন'বেল বঁটা বিজয়ী বৈজ্ঞানিকৰ লগতে আন প্ৰসিদ্ধ বৈজ্ঞানিকো আছে।

অধ্যাপক ৰাওৱে অতিপৰিবাহিতা (উচ্চ উষ্ণতাত) আৰু নেন' বিজ্ঞানৰ বিভিন্ন দিশৰ ওপৰত অধ্যয়ন কৰি ভাৰতীয় বিজ্ঞানীসকলৰ বাবে বাটকটীয়া হৈ আছে। অধ্যাপক ৰাওৱে পোৱা কিছুমান বঁটা হ'ল—

হিউ'জ বঁটা : ২০০০ চন, ভাৰত বিজ্ঞান বঁটা : ২০০৪ চন, ডেন্ ডেভিদ বঁটা : ২০০৫ চন, লিজিঅ'ন অফ অ'নাৰ : ২০০৫ চন, আব্দুছ ছালাম বঁটা : ২০০৮ চন, পদ্মশ্ৰী বঁটা : ১৯৭৪ চন, পদ্ম বিভূষণ বঁটা : ১৯৮৫ চন।

## ভাৰতৰত্ন শচীন ৰমেশ তেণ্ডুলকাৰ

সুদীৰ্ঘ ২৪ বছৰ কাল জুৰি ক্ৰিকেট খেল খেলি সমগ্ৰ বিশ্বৰ কোটি কোটি ক্ৰিকেট অনুৰাগীক মোহিত কৰি ৰখাৰ পাছত ১৬ নৱেম্বৰ, ২০১৩ তাৰিখে ক্ৰিকেট জীৱনৰপৰা বিদায় লয় মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰে। বিদায়ৰ দিনাই ভাৰত চৰকাৰে মহান ক্ৰিকেটাৰগৰাকীলৈ আগবঢ়ায় দেশৰ সৰ্বোচ্চ সন্মান 'ভাৰতৰত্ন'। ২৪ বছৰীয়া ক্ৰিকেটৰ বৰ্ণময় জীৱনত শচীনে ৪৬৩ খন এদিনীয়া মেচ আৰু ২০০ খন টেষ্টত অংশগ্ৰহণ কৰি অভিলেখৰ পাহাৰ গঢ়িবলৈ সক্ষম হৈছে। এই মহান ক্ৰিকেটাৰগৰাকী সঁচাকৈয়ে ভাৰতৰ ৰত্ন।

**পলকতে শচীন**

নাম : শচীন ৰমেশ তেণ্ডুলকাৰ

জন্ম : ২৪ এপ্ৰিল, ১৯৭৩

উচ্চতা : ৫ ফুট ৫ ইঞ্চি

জাতীয় দল : ভাৰত

টেষ্ট অভিষেক : ১৫ নৱেম্বৰ, ১৯৮৯, বিপক্ষ : পাকিস্তান

এদিনীয়া ক্ৰিকেটৰ আন্তৰ্জাতিক অভিষেক : ১৮ নৱেম্বৰ, ১৯৮৯, বিপক্ষ : পাকিস্তান

শেষ এদিনীয়া আন্তৰ্জাতিক : ১৮ মাৰ্চ, ২০১২, বিপক্ষ : পাকিস্তান

এদিনীয়া ক্ৰিকেটৰ জাৰ্ছী নম্বৰ : ১০

একমাত্ৰ আন্তৰ্জাতিক টি-২০ ক্ৰিকেট : ১ ডিছেম্বৰ, ২০০৬, বিপক্ষ : দক্ষিণ আফ্ৰিকা

টেষ্টত সংগৃহীত মুঠ ৰাণ : ১৫,৯২১, শতক : ৫১

এদিনীয়াত সংগৃহীত মুঠ ৰাণ : ১৮,৪২৬, শতক : ৪৯

**শচীনে লাভ কৰা বঁটা আৰু সন্মান**

অৰ্জুন বঁটা : ১৯৯৪

উইজদেনৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ বঁটা : ১৯৯৭

ৰাজীৱ গান্ধী খেলৰত্ন বঁটা : ১৯৯৭-৯৮

পদ্মশ্ৰী বঁটা : ১৯৯৯
মহাৰাষ্ট্ৰ ভূষণ বঁটা : ২০০১
ৰাজীৱ গান্ধী বঁটা (খেল) : ২০০৫
পদ্ম-বিভূষণ বঁটা : ২০০৮
গাৰফিল্ড ছোবাৰ্ছ ট্ৰফী : ২০১০
উইজডেন লিডিং ক্রিকেটাৰ ইন দ্য ৱৰ্ল্ড বঁটা : ২০১০
ৰাজনৈতিক সন্মান : ২০১২ৰ এপ্ৰিলত ৰাজ্যসভাৰ সাংসদ
আই চি চি বিশ্ব টেষ্ট একাদশৰ খেলুৱৈ সন্মান : ২০০৯, ২০১০, ২০১১
আই চি চি বিশ্ব এদিনীয়া একাদশ খেলুৱৈ সন্মান : ২০০৪, ২০০৭, ২০১০
ইণ্ডিয়ান এয়াৰ ফৰ্চৰ অবৈতনিক গ্ৰুপ কেপ্টেইন মনোনীত : ২০১০ চনৰ ১৩ ছেপ্টেম্বৰ
অৰ্ডাৰ অৱ অষ্ট্ৰেলিয়াৰ সদস্য পদ : ২০১২ চনৰ ৬ নৱেম্বৰ

## দক্ষিণ আফ্ৰিকাৰ মহানায়ক নেলছন মেণ্ডেলা

কোঠা নং ৪৬৬/৬৪। ৰ'বেন দ্বীপপুঞ্জৰ সেই কালাপানী কাৰাগাৰ। সশস্ত্ৰ দেশদ্ৰোহিতাৰ অপৰাধত যাৱজ্জীৱন কাৰাদণ্ড। সুদীৰ্ঘ ২৭ বছৰ ধৰি সেয়াই আছিল তেওঁৰ ঠিকনা। কুৰি শতিকাৰ দক্ষিণ আফ্ৰিকাৰ বৰ্ণবৈষম্যৰ বিৰুদ্ধে সংগ্ৰামৰ অদ্বিতীয় হোতা, তেওঁৰেই নাম আছিল নেলছন মেণ্ডেলা। সংখ্যালঘু শ্বেতকায়সকলৰ হাতৰপৰা আঁজুৰি আনি আফ্ৰিকাৰ নিষ্পেষিত নিগ্ৰ'সকলক স্বাধীনতা উপহাৰ দিয়া ইতিহাসৰ অন্য নাম নেলছন মেণ্ডেলা অথবা 'ম্যাডিবা'। মেণ্ডেলা নামটোৱে চুই যায় বিশ্বৰ প্ৰতিটো প্ৰান্ত, প্ৰতিখন হৃদয়। যোৱা ৫ ডিছেম্বৰ ২০১৩ত ৯৫ বছৰ বয়সত জোহান্সবাৰ্গত ইহলীলা সম্বৰণ কৰে কুৰি শতিকাৰ এই মহানায়কজনে।

১৯৬৪ চনৰ ১২ জুনৰ নিশা ৰ'বেন দ্বীপপুঞ্জৰ এখন কাৰাগাৰলৈ প্ৰেৰণ কৰা মেণ্ডেলাক ১৯৯০ চনৰ ২ ফেব্ৰুৱাৰিত মুক্তি দিয়া হয়। ২০১৩ চনৰ জুন মাহত আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক অ'বামা গৈছিল সেই দ্বীপপুঞ্জৰ কাৰাগাৰলৈ আৰু দৰ্শনাৰ্থীৰ বাবে ৰখা বহীত লিখিছিল, "...deeply humbled to stand where men of such courage faced down injustice and refused to yield..."। "Mandela : A long Walk to Freedom" নামৰ আত্মজীৱনীৰে সমগ্ৰ বিশ্বকে স্বাধীনতাৰ সংজ্ঞা দিয়া এইগৰাকী ব্যক্তিক দ্বিতীয়জন বিদেশী নাগৰিক হিচাপে 'ভাৰত ৰত্ন' দিয়া হয়। এইগৰাকী মহানায়ক যিজনে কৈছিল স্বাধীনতাৰ অৰ্থ, "...to live in a way that respects and enhances the freedom of other." যিদৰে বৈ আছে গান্ধী, বৈ আছে গুৱেভাৰা, সেইদৰেই থাকিব নেলছন মেণ্ডেলাও। ◎

## চুড'কু ২

কাষৰ আকৃতিটোৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 3 | 1 | 2 | | 9 | 5 | | 7 | 6 |
| 5 | | 9 | 1 | | 7 | | 8 | 2 |
| 4 | | 7 | 2 | 6 | 3 | 5 | | |
| 9 | | | 7 | | | 2 | 4 | |
| | 2 | 8 | | 1 | | | 9 | 3 |
| | 3 | | 9 | 8 | 2 | | 5 | 7 |
| | 4 | 5 | 6 | | | | 3 | 1 |
| 1 | 7 | | 3 | 5 | 8 | 9 | | 4 |
| 8 | | 3 | 4 | 2 | | 7 | | 5 |

# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. 'APTITUDE' শব্দটোৰ দাপোনত হোৱা প্ৰতিবিম্ব আৰু পানীত হোৱা প্ৰতিবিম্ব দেখুওৱাঁ।

উত্তৰ : দাপোনত হোৱা প্ৰতিবিম্ব : ƎDUTITqA

পানীত হোৱা প্ৰতিবিম্ব : ∀ЬLIꞱUDE

[ইংগিত : দাপোনত হোৱা প্ৰতিবিম্ব দেখুৱাবলৈ দাপোনখন বস্তুটোৰ কাষত লম্বভাৱে থিয় কৰি ৰখা বুলি ধৰিব লাগে। পানীত হোৱা প্ৰতিবিম্ব দেখুৱাবলৈ আমি ভাবি ল'ব পাৰোঁ যেন দাপোন এখন বস্তুটোৰ তলত পথালিকৈ ৰখা হৈছে।]

2. যদি 'ELECTION' শব্দটো সাংকেতিকভাৱে 'FNHGYOVV'ৰে বুজোৱা হয়, 'MINISTER' শব্দটোৰ সংকেত কি হ'ব?

উত্তৰ : 'ELECTION' শব্দটোৰ প্ৰতিটো আখৰক ক্ৰমে 1, 2, 3, 4, 5, 6, 7, 8 জাঁপকৈ আগুৱাই দিলে আমি Eৰ বাবে F, Lৰ বাবে N, Eৰ বাবে H, Cৰ বাবে G ইত্যাদি পাওঁ। এইদৰে 'ELECTION'ৰ সংকেত হয় 'FNHGYOVV'। একে নিয়মত 'MINISTER' শব্দটোৰ সংকেত হ'ব 'NKQMXZLZ'।

3. যদি 'TAP'ক 'SZO' সংকেতেৰে বুজোৱা হয়, তেন্তে 'FREEZE'ক কি সংকেতেৰে বুজাবা?

উত্তৰ : TAP শব্দটোৰ প্ৰতিটো আখৰকে এক জাঁপকৈ পিছুৱাই আনিবলৈ 'SZO' পোৱা যায়। একে নিয়মত 'FREEZE'ৰ সংকেত হ'ব 'EQDDYD'।

4. যদি PAINTৰ সংকেত 74128 আৰু EXCELৰ সংকেত 93596 হয়, তেন্তে ACCEPTৰ সংকেত কি হ'ব?

উত্তৰ : যি দুটা শব্দৰ সংকেত দিয়া আছে তাৰ আখৰবোৰৰ বিপৰীতে সংকেতত কি অংক বহুওৱা আছে চাই লোৱা হয়। ইয়াৰ সহায়ত ACCEPTৰ সংকেত পোৱা যাব '455978'।

5. তলৰ অনুক্ৰমটোৰ এটা সংখ্যা অশুদ্ধ। অশুদ্ধটো উলিওৱাঁ।

445, 221, 109, 46, 25, 11, 4

উত্তৰ : 445

$$\frac{445-3}{2}=221 \qquad \frac{221-3}{2}=109$$

$$\frac{109-3}{2}=53 \qquad \frac{53-3}{2}=25$$

$$\frac{25-3}{2}=11 \qquad \frac{11-3}{2}=4$$

∴ শুদ্ধ অনুক্ৰমটো হ'ল,

445, 221, 109, 53, 25, 11, 4

∴ অশুদ্ধ সংখ্যাটো 46। এইটো হ'ব লাগে 53। ◎

■ ঘনশ্যাম মেধি

## ইংৰাজী বৰ্ণমালাৰ বৰ্ণবোৰৰ ক্ৰমাংক সম্পৰ্কীয় সমস্যা

ইংৰাজী বৰ্ণমালাৰ বৰ্ণবোৰৰ ক্ৰমাংক সম্পৰ্কীয় সমস্যাবোৰ সমাধান কৰাৰ বাবে বৰ্ণবোৰৰ ক্ৰমাংক দুয়োটা ক্ৰমত অৰ্থাৎ প্ৰথম বৰ্ণৰপৰা শেষৰ বৰ্ণলৈ আৰু ইয়াৰ বিপৰীত ক্ৰমত অৰ্থাৎ শেষৰ বৰ্ণৰপৰা প্ৰথম বৰ্ণলৈ ক্ৰমাংকবোৰ ভালদৰে মনত ৰাখিব লাগিব।

| ১মৰপৰা শেষলৈ | 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 | 12 | 13 | 14 | 15 | 16 | 17 | 18 | 19 | 20 | 21 | 22 | 23 | 24 | 25 | 26 |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| বৰ্ণ | A | B | C | D | E | F | G | H | I | J | K | L | M | N | O | P | Q | R | S | T | U | V | W | X | Y | Z |
| শেষৰপৰা প্ৰথমলৈ | 26 | 25 | 24 | 23 | 22 | 21 | 20 | 19 | 18 | 17 | 16 | 15 | 14 | 13 | 12 | 11 | 10 | 9 | 8 | 7 | 6 | 5 | 4 | 3 | 2 | 1 |

1. CFILORUX, DHLPTX আৰু EJOTY সূত্ৰৰ সহায়তো বৰ্ণবোৰৰ ক্ৰমাংকবোৰ সহজতে উলিয়াব পাৰি।

   CFILORUXৰ বৰ্ণবোৰৰ ক্ৰমাংক 3ৰ গুণিতক।

| C | F | I | L | O | R | U | X |
|---|---|---|---|---|---|---|---|
| 3 | 6 | 9 | 12 | 15 | 18 | 21 | 24 |

   DHLPTXৰ বৰ্ণবোৰৰ ক্ৰমাংক 4ৰ গুণিতক।

| D | H | L | P | T | X |
|---|---|---|---|---|---|
| 4 | 8 | 12 | 16 | 20 | 24 |

   EJOTYৰ বৰ্ণবোৰৰ ক্ৰমাংক 5ৰ গুণিতক।

| E | J | O | T | Y |
|---|---|---|---|---|
| 5 | 10 | 15 | 20 | 25 |

**উদাহৰণ** : যদি M = 13 হয় তেন্তে KITE = ?

(1) 10 (2) 20 (3) 30 (4) 40 (5) 45

**সমাধান** : EJOTY সূত্ৰ প্ৰয়োগ কৰি পাওঁ

K = 11, I = 9, T = 20, E = 5

$\therefore$ KITE = 11 + 9 + 20 + 5 = 45

উত্তৰ : (5) 45

2. বৰ্ণবোৰৰ বিপৰীত ক্ৰমাংক অৰ্থাৎ শেষৰপৰা প্ৰথমলৈ ক্ৰমাংকবোৰ নিৰ্ণয়ৰ বাবে XUROLIFC, WSOKGC আৰু VQLGB সূত্ৰবোৰ প্ৰয়োগ কৰিব পাৰি।

   বিপৰীত ক্ৰমত XUROLIFCৰ বৰ্ণবোৰৰ ক্ৰমাংক 3ৰ গুণিতক

| X | U | R | O | L | I | F | C |
|---|---|---|---|---|---|---|---|
| 3 | 6 | 9 | 12 | 15 | 18 | 21 | 24 |

   বিপৰীত ক্ৰমত WSOKGCৰ বৰ্ণবোৰৰ ক্ৰমাংক 4ৰ গুণিতক

| W | S | O | K | G | C |
|---|---|---|---|---|---|
| 4 | 8 | 12 | 16 | 20 | 24 |

বিপৰীত ক্ৰমত VQLGBৰ বৰ্ণবোৰৰ ক্ৰমাংক 5ৰ গুণিতক

| V | Q | L | G | B |
|---|---|---|---|---|
| 5 | 10 | 15 | 20 | 25 |

**উদাহৰণ :** যদি G = 20 তেন্তে VICE = ?

(i) 69 (ii) 70 (iii) 75 (iv) 90 (v) 95

**সমাধান :** VQLGB, WSOKGC আৰু XUROLIFC সূত্ৰ প্ৰয়োগ কৰি পাওঁ

V → 5, I → 18, C → 24, E → 22

∴ VICE = 5 + 18 + 24 + 22 = 69 উত্তৰ : (i) 69

3. যদি দুটা বৰ্ণৰ ক্ৰমাংকৰ যোগফল 27 হয় তেন্তে বৰ্ণকেইটাক পৰস্পৰ বিপৰীত বৰ্ণ বোলে।

যেনে : A → 1
Z → 26

1 + 26 = 27

গতিকে A আৰু Z পৰস্পৰ বিপৰীত বৰ্ণ।

**উদাহৰণ :** যদি 'LAKE'ক 'OZPY'ৰে বুজোৱা হয় তেন্তে BACKক কেনেদৰে বুজোৱা হ'ব।

(1) ZYXP (2) ZYPX (3) YZXP (4) YZPX (5) XPZY

**সমাধান :**

L (12), A (1), K (11), E (5) — O (15), Z (26), P (16), V (22)

L ↔ O : 12 + 15 = 27
A ↔ Z : 1 + 26 = 27
K ↔ P : 11 + 16 = 27
E ↔ V : 5 + 22 = 27

B (2), A (1), C (3), K (11) — Y (25), Z (26), X (24), P (16)

B ↔ Y : 2 + 25 = 27
A ↔ Z : 1 + 25 = 27
C ↔ X : 3 + 24 = 27
K ↔ P : 11 + 16 = 27

উত্তৰ : (3) YZXP

4. সোঁফালৰপৰা এটা বৰ্ণৰ ক্ৰমাংক = 27 – (বৰ্ণটোৰ বাঁওফালৰপৰা ক্ৰমাংক)

যেনে Lৰ সোঁফালৰপৰা ক্ৰমাংক 15
Lৰ বাঁওফালৰপৰা ক্ৰমাংক 12
∴ 15 = 27 – 12

**উদাহৰণ :** Gৰ সোঁফালৰপৰা ক্ৰমাংক কিমান?

(1) 10 (2) 20 (3) 25 (4) 30 (5) 35

**সমাধান :** Gৰ বাঁওফালৰপৰা ক্ৰমাংক 7

∴ Gৰ সোঁফালৰপৰা ক্ৰমাংক = 27 – 7 = 20 উত্তৰ : (2) 20. ◎

■ সংগীতা দাস

# চেলা গিৰিপথ

অৰুণাচল প্ৰদেশ। প্ৰকৃতিয়ে অকৃপণ হাতেৰে সৃষ্টি কৰা উত্তৰ-পূব ভাৰতৰ এখন ৰাজ্য। সেউজীয়া পাহাৰ, ওখ ওখ পাইন গছ আৰু বৰফে ঢকা শৃংগৰে অলংকৃত এই অঞ্চল। অৰুণাচল প্ৰদেশৰ পৰ্যটকৰ অন্যতম আকৰ্ষণীয় স্থান হৈছে চেলা পাচ বা চেলা গিৰিপথ। চেলা গিৰিপথৰ উচ্চতা ১৩ হাজাৰ ফুটতকৈ অধিক। এই গিৰিপথ পৃথিৱীৰ দ্বিতীয় উচ্চতম ৰাষ্ট্ৰীয় ঘাইপথ। টাৱাং জিলাৰ অন্তৰ্গত এই অঞ্চলৰ দূৰত্ব গুৱাহাটীৰপৰা ৩৪০ কিল'মিটাৰ। বৰফে ঢকা এই অঞ্চলত গছ-বিৰিখ বৰকৈ দেখা নাযায়। শীতত এই অঞ্চলৰ উষ্ণতা -১০° ছেলছিয়াচলৈ নামে। বৰফে ঢকা পাহাৰবোৰৰ মাজে মাজে আগবাঢ়ি যোৱা ৰাস্তাটোৰ সৌন্দৰ্য অতুলনীয়। চেলা পাচৰ গেটৰ পৰাই দেখা যায় চেলা শিখৰ। ৰাস্তাৰ বাঁওপিনে এটা সুন্দৰ হ্ৰদ দেখা যায়। এই হ্ৰদটোক পেৰাডাইজ লেক বুলিও কোৱা হয়। শীতত এই হ্ৰদটো বৰফে ঢাকি ৰাখে। নেদেখিলে বিশ্বাসেই কৰিব নোৱাৰি। গুৱাহাটীৰপৰা ইমান ওচৰত বৰফে ঢকা এটুকুৰা ইমান সুন্দৰ ঠাই আছে! ভাৰতীয় সেনাৰ নিয়ন্ত্ৰণাধীন এই অঞ্চলত এটা স্মৃতিসৌধ আৰু এখন তোৰণ আছে।



চেলা পাচৰপৰা টাৱাঙৰ ফাললৈ অলপ আগুৱাই গ'লেই পোৱা যায় 'যশৱন্ত গড়'। চাৰিওদিশে ওখ ওখ পৰ্বতেৰে ঘেৰা এই অঞ্চলটো প্ৰচণ্ড ঠাণ্ডা। চেলাতকৈ এই অঞ্চলৰ উচ্চতা কম আৰু সেয়েহে ইয়াত পাইন গছ দেখা যায়। যশৱন্ত সিং ৰাওত নামৰ ভাৰতীয় সেনাৰ বীৰ যোদ্ধা এজনৰ নামক কেন্দ্ৰ কৰি এই অঞ্চলৰ নামকৰণ কৰা হৈছে। ১৯৬২ চনত চীনে ভাৰত আক্ৰমণ কৰাত যশৱন্ত সিং ৰাৱত নামৰ এই ভাৰতীয় সৈনিকজনে একেৰাহে ৭২ ঘণ্টা সাহসেৰে যুঁজ দি চীনা সৈন্যক বাধা দি ৰাখিছিল। অতি সাহস আৰু ধৈৰ্যৰে তেওঁক সহযোগ কৰিছিল ত্ৰিলোক সিং আৰু গোপাল সিং নামৰ সৈনিক দুজনে। যুঁজ দি এই বীৰজনে অৱশেষত মৃত্যুবৰণ কৰে। তেওঁৰ এই বীৰত্বৰ বাবে মৰণোত্তৰভাৱে তেওঁক 'মহাবীৰ চক্ৰ' প্ৰদান কৰা হয়। ত্ৰিলোক সিং আৰু গোপাল সিঙক 'বীৰ চক্ৰ' প্ৰদান কৰা হয়। সেয়েহে যশৱন্ত গড়ৰ এক ঐতিহাসিক তাৎপৰ্য আছে। যশৱন্ত গড়ত এটা স্মৃতি তোৰণ আৰু এটা স্মৃতিসৌধ নিৰ্মাণ কৰা হৈছে।

ভাৰতীয় সেনাবাহিনীৰ মাজত এই বীৰ পুৰুষজন 'বাবা' নামেৰে জনপ্ৰিয়। এই অঞ্চলত নিযুক্ত ভাৰতীয় সেনাৰ জোৱানসকলে বিশ্বাস কৰে যে বাবাৰ আত্মা জন্মভূমিৰ ৰক্ষাৰ্থে এই অঞ্চলত এতিয়াও ঘূৰি ফুৰে। প্ৰতি ৰাতি জোৱানসকলে এই যোদ্ধাজনৰ বাবে বিছনা পাৰি থয় আৰু তেওঁলোকে নিজে আহাৰ গ্ৰহণ কৰাৰ আগতে 'বাবা'ৰ আহাৰ আগবঢ়ায়। আনকি তেওঁৰ জোতাযোৰো নিয়মিতৰূপে পৰিষ্কাৰ কৰি ৰখা হয়। জোৱানসকলে বিশ্বাস কৰে যে যেতিয়াই চীনা সৈন্যই আমাৰ মাতৃভূমিক আক্ৰমণ কৰিব 'বাবা'ই বিভিন্ন সংকেতৰ জৰিয়তে এই খবৰ ভাৰতীয় জোৱানসকলক আগতীয়াকৈ জনাই দিব। আজিৰ তাৰিখতো ভাৰতীয় সেনাবাহিনীৰ প্ৰতিজন সৈনিকে এই অঞ্চলেৰে পাৰ হৈ গ'লে যশৱন্ত সিঙক সন্মান জনাই যায়। ◎

# কুইজ

■ ধ্ৰুৱ শৰ্মা

১। বিশ্বকাপ ফুটবল প্ৰথমবাৰৰ বাবে কেতিয়া আৰু ক'ত অনুষ্ঠিত হৈছিল?

২। ৰাষ্ট্ৰপতিৰ ৰূপক পদকপ্ৰাপ্ত প্ৰথম অসমীয়া বোলছবিখনৰ নাম কি? পৰিচালক কোন?

৩। এছিয়া মহাদেশৰ আটাইতকৈ দীঘল নদীখনৰ নাম কি?

৪। কাক ইণ্টাৰনেটৰ জনক বুলি কোৱা হয়?

৫। পৃথিৱীৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি কোন?

৬। বেইজিঙৰ পুৰণি নাম কি?

৭। 'জাতীয় পঞ্চায়ত' কোন দেশৰ সংসদৰ নাম?

৮। বিখ্যাত লণ্ডন চহৰ কোনখন নদীৰ পাৰত অৱস্থিত?

৯। ৰবীন্দ্ৰনাথ ঠাকুৰৰ আত্মজীৱনীখনৰ নাম কি?

১০। কেন্দ্ৰীয় চৰকাৰৰ সন্মানজনক বঁটা 'কৃষিকৰ্ম বঁটা' ২০১২-১৩ বৰ্ষৰ বাবে ভাৰতৰ কোনখন ৰাজ্যই লাভ কৰিছে?

১১। বিশ্বৰ সৰ্বাধিক পলিঅ' আক্ৰান্ত চহৰখনৰ নাম কি?

১২। সদ্যপ্ৰয়াত (২০১৪ চনৰ ১৭ জানুৱাৰি) বিখ্যাত চলচ্চিত্ৰ অভিনেত্ৰী সুচিত্ৰা সেনৰদ্বাৰা অভিনীত প্ৰথম ছবিখনৰ নাম কি?

১৩। ২০১৩ বৰ্ষৰ 'এছিয়ান অৱ দ্য ইয়েৰ' সন্মান লাভ কৰা ব্যক্তি দুগৰাকী কোন?

১৪। ২০১৩ চনৰ অসম উপত্যকা সাহিত্য বঁটা কোনে লাভ কৰিছে?

১৫। ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথমগৰাকী অসমীয়া সভাপতি কোন আছিল?

১৬। পোনপ্ৰথমবাৰৰ বাবে মামণি ৰয়ছম গোস্বামী ৰাষ্ট্ৰীয় বঁটা কোনে লাভ কৰিছে?

১৭। ফুলৰ দেশ বুলিলে কোনখন দেশক বুজা যায়?

১৮। জৱাহৰলাল নেহৰু বঁটা প্ৰাপক প্ৰথমগৰাকী ভাৰতীয় কোন?

১৯। ২০১৩ চনত বিশিষ্ট কবি ৰবীন্দ্ৰ সৰকাৰে কোনখন পুথিৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছে?

২০। জনপ্ৰিয় কাৰ্টুন ফেণ্টমৰ স্ৰষ্টা কোন?

২১। সংগীত নাটক অকাডেমিৰ বঁটা লাভ কৰা প্ৰথম অসমীয়া ব্যক্তিজন কোন?

২২। নেলছন মেণ্ডেলাৰ আত্মজীৱনীমূলক গ্ৰন্থখনৰ নাম কি?

২৩। ৰাষ্ট্ৰ সংঘৰ মুখ্য কাৰ্যালয় ক'ত অৱস্থিত?

২৪। খেৰাই নৃত্য কোনটো জনগোষ্ঠীৰ ধৰ্মীয় নৃত্য?

২৫। মিজোসকলে বাঁহৰ সহায়ত কৰা নৃত্যবিধৰ নাম কি? ◎

(উত্তৰসমূহ ২৪ পৃষ্ঠাত)

## তোমালোকৰ বাবে প্ৰশ্ন

১। ভাৰতৰ কোনখন ৰাজ্যত পোনপ্ৰথমে ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন হৈছিল?

২। ড° এপিজে আব্দুল কালামৰ শেহতীয়া গ্ৰন্থখনৰ নাম কি?

৩। নীল নদীৰ পাৰত অৱস্থিত বিখ্যাত ৰাজধানী চহৰখনৰ নাম কি?

৪। সংস্কৃত ভাষাৰ প্ৰথম অভিধান অমৰকোষ কোনে ৰচনা কৰিছিল?

৫। ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ আত্মজীৱনীখনৰ নাম কি?

(উত্তৰবোৰ তোমালোকে নিজে বিচাৰি ১৫ ফেব্ৰুৱাৰি তাৰিখৰ আগেয়ে পোৱাকৈ সম্পাদক, **'অন্বেষণ'** এই ঠিকনালৈ পঠাবা। সম্পূৰ্ণ শুদ্ধ উত্তৰ দিওঁতাসকলৰ নাম পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰা হ'ব।)

**উইকিপিডিয়া :** উইকিপিডিয়া হ'ল ইণ্টাৰনেটত উপলব্ধ এখন জনপ্ৰিয় আৰু বিনামূলীয়া বিশ্বকোষ। উইকিপিডিয়া ধাৰণাটোৰ জন্ম হৈছিল 'নুপিডিয়া' নামৰ এক ব্যৱস্থাৰ পৰা। কিন্তু নুপিডিয়াত উপলব্ধ লেখাসমূহ অতিকৈ উচ্চস্তৰীয় হোৱা বাবে সাধাৰণ ব্যৱহাৰকাৰীয়ে কিছু অসুবিধা ভোগ কৰিছিল। ইয়াৰ সীমাবদ্ধতা আৰু অসুবিধাসমূহ দূৰ কৰিবৰ বাবে ইয়াৰ প্ৰতিষ্ঠাপক জিম্মী ৱেলছ আৰু মুখ্য কাৰ্যবাহী বিষয়া লেৰী ছেংগাৰে নুপিডিয়াৰ ভেটিত ভেঁজা দি আঠ মাহৰ অক্লান্ত পৰিশ্ৰম কৰি জন্ম দিয়ে উইকিপিডিয়াৰ। উইকিপিডিয়াই www.wikipedia.org নামৰ ৱেব ছাইটটোৰ জৰিয়তে ইণ্টাৰনেটত আনুষ্ঠানিকভাৱে আত্মপ্ৰকাশ কৰে ২০০১ চনৰ ১৫ জানুৱাৰিত। ২০১২ চনৰ ২৫ আগষ্টলৈকে উইকিপিডিয়াৰ ইংৰাজী সংস্কৰণটোত ৪০,৩৫,৯২৫টা বিষয়ৰ লেখা সন্নিৱিষ্ট হৈ আছে। তাৰ উপৰি প্ৰায় ৭৫ হাজাৰ লোকে ৫৩ লাখটা বিষয়ৰ লেখা সম্পাদনা কৰি আছে। সম্প্ৰতি ইংৰাজীৰ উপৰি অসমীয়া, বাংলা, হিন্দীকে ধৰি বিশ্বৰ আন ২৮৪টা ভাষাতো উইকিপিডিয়া উপলব্ধ। ইয়াত সন্নিৱিষ্ট লেখাসমূহ উচ্চমানৰ হোৱা বাবে গৱেষক, ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ লোকৰ বাবেও ই যথেষ্ট উপযোগী।

**এগ'ৰাফ'বিয়া :** একেলগে বহুত মানুহ বা বিশাল সভা, জনসমাবেশ আদি দেখিলে কোনো কোনো মানুহৰ মনত একধৰণৰ মানসিক আতংকৰ সৃষ্টি হয়। ইয়াৰ নামেই এগ'ৰাফ'বিয়া। সাধাৰণতে পুৰুষতকৈ মহিলাৰ ক্ষেত্ৰত এনে বিকাৰ বেছি।

**কাৰ্বন ডেটিং :** কাৰ্বন ডেটিং তেজস্ক্ৰিয় কাৰ্বনৰ সহায়ত খনিজ পদাৰ্থ, জীৱাশ্ম বা আন প্ৰাচীন পদাৰ্থৰ বয়স নিৰ্ধাৰণ কৰা আধুনিক বিজ্ঞানসন্মত পদ্ধতি। এই পদ্ধতিত কাৰ্বনৰ $^{14}C$ সমস্থানিক বা ৰেডিঅ' কাৰ্বন ব্যৱহাৰ হয় বাবে ইয়াক ৰেডিঅ' কাৰ্বন ডেটিং বা কাৰ্বন ডেটিং বোলে। বহু প্ৰাচীন নিদৰ্শনৰ বয়স নিৰ্ধাৰণৰ ই এক ফলপ্ৰসু ব্যৱস্থা। ৰসায়নবিদ উইলাৰ্ড ফ্ৰেংক লিবিয়ে (Willard Frank Libby, ১৯০৮-১৯৮০) এই পদ্ধতি আৱিষ্কাৰ কৰে যাৰ বাবে তেওঁ ১৯৬০ চনৰ ৰসায়নৰ ন'বেল বঁটা লাভ কৰে।

**ক্লেইন লেভিন :** ই এক প্ৰকাৰৰ স্নায়ুজনিত ৰোগ। এই ৰোগত ৰোগীৰ অস্বাভাৱিক টোপনি আহে আৰু একেৰাহে কেইবামাহো শুই থাকে। প্ৰাতঃকৃত্য সমাপণ আৰু খোৱাৰ বাবে মাজতে কিছু সময় শোৱাৰ পৰা উঠে যদিও পুনৰ টোপনি যায়। বিশ্বত এই ৰোগ অতি বিৰল।

**টাৱাৰ অৱ ছাইলেন্স :** পাৰ্ছীসকলে মৃতদেহ কবৰ নিদিয়ে বা দাহ নকৰে। তেওঁলোকে আঠ ফুট ওখ দেৱালেৰে আৱৰা এক স্থানত মৃতদেহ থৈ দিয়ে। পাছত মৃতদেহ শগুনে খায়। এই স্থানৰ নাম টাৱাৰ অব ছাইলেন্স।

**গ্ৰেণ্ড ট্ৰাংক ৰ'ড :** গ্ৰেণ্ড ট্ৰাংক ৰ'ড ভাৰতৰ এটা প্ৰাচীন আলিবাট। শুৰ বংশীয় সম্ৰাট শ্বেৰশ্বাহে ১৫৩৮ চনত এই পথটো নিৰ্মাণ কৰোৱাইছিল বুলি জনা যায়। পূৰ্ব বংগৰ (বৰ্তমানৰ বাংলাদেশ) সোণাৰ গাঁৱৰপৰা আৰম্ভ হৈ আগ্ৰা, দিল্লী আৰু লাহোৰক সামৰি সিন্ধু নৈৰ পাৰৰ ৰোহটাছলৈকে (বৰ্তমান পাকিস্তান) বিস্তৃত এই পথৰ দৈৰ্ঘ্য আছিল প্ৰায় ৬০০০ কিল'মিটাৰ। তৎকালীন ভাৰতৰ আটাইতকৈ দীঘল পথৰূপে স্বীকৃত এই পথটোৰ সেই সময়ত নাম আছিল 'চড়ক-ই-আজম'। ১৮৩৩ চনৰপৰা ১৮৫২ চনৰ ভিতৰত ইংৰাজে এই পথটোৰ পুনৰ নিৰ্মাণ কৰে।

**টাছখণ্ড :** খ্ৰিষ্টপূৰ্ব দ্বিতীয় শতিকাতে প্ৰতিষ্ঠা লাভ কৰা টাছখণ্ড বৰ্তমান উজবেকিস্তানৰ ৰাজধানী। মধ্যযুগত এই চহৰখন আছিল ব্যৱসায়-বাণিজ্যৰ প্ৰাণকেন্দ্ৰ। ১৯৬৬ চনৰ ভূমিকম্পত ধ্বংস হোৱা এই চহৰখন পুনৰ প্ৰতিষ্ঠা কৰা হয়। এইখন চহৰতে ১৯৬৬ চনৰ ১০ জানুৱাৰিত ভাৰত আৰু পাকিস্তানৰ মাজৰ ঐতিহাসিক 'শান্তি চুক্তি' স্বাক্ষৰিত হয়। শান্তি-চুক্তি স্বাক্ষৰিত হোৱাৰ পিছত ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ এই চহৰতে আকস্মিকভাৱে মৃত্যু হয়। ◎

*উৎস : জ্ঞান-বিজ্ঞানৰ কি ক'ত কিয় কোন আৰু কেতিয়া (শান্তনু কৌশিক বৰুৱা) আৰু ইণ্টাৰনেট*

■ হিৰণ্য কলিতা

## গণিতৰ কিছু উল্লেখযোগ্য আৱিষ্কাৰ

১। খ্রিষ্টপূর্ব ৩৫০০ত ইজিপ্ত সভ্যতাত একক, দহক, শতক আদিৰ বাবে পৃথক প্রতীক ব্যৱহাৰ কৰি ডাঙৰ সংখ্যা লিখিব পৰা পদ্ধতি আৱিষ্কাৰ হয়।

২। খ্রিষ্টপূর্ব ৩০০ত ইউক্লিডৰ এলিমেণ্টছ (Elements) নামৰ কিতাপখনে দেখুৱায় যে সেই সময়ৰ সকলো গণিতকে মাত্র কেইটামান ধাৰণাৰপৰা প্রমাণ কৰিব পাৰি।

৩। খ্রিষ্টাব্দ ৮৭৬ত ভাৰতীয় গণিতজ্ঞৰদ্বাৰা শূন্যৰ আৱিষ্কাৰ হয়।

৪। খ্রিষ্টাব্দ ১৬১৪ত স্কটিছ গণিতজ্ঞ জন নেপিয়াৰে (John Napier, ১৫৫০-১৬১৭) ঘাতাংকৰ (Logarithm) উদ্ভাৱন কৰে।

৫। খ্রিষ্টাব্দ ১৬৫৪ত ফৰাছী গণিতজ্ঞদ্বয় ব্লেইজ পাস্কাল (Blaise Pascal, ১৬২৩-৬২) আৰু ফাৰ্মাই (Pierre de Fermat, ১৬০১-১৬৬৫) সম্ভাৱিতা তত্ত্বৰ (Probability theory) মূল সূত্রসমূহ উদ্ভাৱন কৰে।

৬। খ্রিষ্টাব্দ ১৬৬৬ত বিশ্ববিখ্যাত ইংৰাজ গণিতজ্ঞ আৰু পদাৰ্থবিজ্ঞানী ছাৰ আইজাক নিউটনে (Sir Issac Newton, ১৬৪২-১৭২৭) কলন গণিতৰ (Calculas) আৱিষ্কাৰৰ কথা ঘোষণা কৰে।

৭। খ্রিষ্টাব্দ ১৬৮৪ত জাৰ্মান গণিতজ্ঞ লেইবনিজে (Gottfried Wilhelm Leibniz, ১৬৪৬-১৭১৬) নিজে উদ্ভাৱন কৰা কলন গণিত (Calculas) সম্পৰ্কে তথ্য প্ৰকাশ কৰে।

৮। খ্রিষ্টাব্দ ১৭৯৭ত গণিতৰ যুৱৰাজ নামে জনাজাত জাৰ্মানীৰ গণিতজ্ঞ কাৰ্ল ফ্রেডেৰিক গাউছে (Karl Friedrich Gauss, ১৭৭৭-১৮৫৫) বীজগণিতৰ মূল উপপাদ্য (প্রত্যেক বহুপদী সমীকৰণৰ সমাধান থাকে) প্রমাণ কৰে।

৯। খ্রিষ্টাব্দ ১৯৯৫ত ব্রিটিছ-আমেৰিকান গণিতজ্ঞ এণ্ড্ৰু ৱাইলছে (Andrew Wiles, ১৯৫৩ –) তেওঁৰ ১৯৯৩ চনত দাঙি ধৰা ফাৰ্মাৰ অন্তিম উপপাদ্যৰ (যিটো উপপাদ্য প্রায় ৩৫০ বছৰ ধৰি প্রমাণ নোহোৱাকৈ আছিল) প্রমাণৰ উন্নত সংস্কৰণ আগবঢ়ায়, যিটো গণিত বিশ্বত সৰ্বজন গ্রহণযোগ্য হয়।

## গণিত কৃতিৰ সৰ্বোচ্চ আন্তঃৰাষ্ট্ৰীয় সন্মান

**ফিল্ডছ মেডেল (Fields Medal)** – গণিতৰ সৰ্বোচ্চ সন্মানীয় পুৰস্কাৰটো হ'ল ফিল্ডছ মেডেল (Fields Medal)। ১৯২৪ চনত কানাডাৰ টৰণ্ট'ত হোৱা গণিতৰ আন্তৰ্জাতিক মহাসভাত (International Congress of the International Mathematical Union ; IMU) প্রথমে এই পুৰস্কাৰটোৰ প্রস্তাৱ কৰা হৈছিল। ফিল্ডছ মেডেলৰ প্রকৃত নামটো হ'ল 'International Medals for Outstanding Discoveries in Mathematics'। কানাডাৰ গণিতজ্ঞ জন চাৰ্লছ ফিল্ডছে (John Charles Fields) এই পুৰস্কাৰটো প্রবৰ্তনত গুৰুত্বপূর্ণ ভূমিকা লৈছিল আৰু পুৰস্কাৰটোৰ সমুদায় ধন তেওঁ দান কৰিছিল। সেয়েহে তেওঁৰ নামেৰেই এই মেডেলটোৰ নাম ৰখা হয়।

ফিল্ডছ মেডেলৰ সোণৰ পদকটোত মহান গণিতজ্ঞ আৰ্কিমিডিছৰ মুখাবয়ৱ আৰু তেওঁ কোৱা 'Transire Suumpectus mundoque potiri' (Rise above oneself and grasp the world) কথাষাৰি খোদিত কৰা থাকে।

প্রথম ফিল্ডছ মেডেল ১৯৩৬ চনত লাৰ্ছ আলফৰ্ছ (Lars Ahlfors) আৰু জেছি ডগ্‌লাছক (Jesse Douglas) প্রদান কৰা হৈছিল। ১৯৫০ চনৰপৰা প্রতি চাৰি বছৰৰ মূৰে মূৰে এই মেডেল দি অহা হৈছে।

পৃথিৱীৰ যিকোনো ৰাষ্ট্ৰৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ১১ গৰাকী গণিতজ্ঞই ফিল্ডছ মেডেল পাইছে। আনহাতে ভাৰতৰ কোনো গণিতজ্ঞই এতিয়ালৈ এই মেডেল পাবলৈ সক্ষম হোৱা নাই। ◎

■ ভবেশ্বৰ গোস্বামী, পলাশ কুমাৰ নাথ

## ছাৰ্ফিং কি ?

ছাৰ্ফিং হ'ল সাগৰৰ পাৰমুখী ঢৌৰ গতি ব্যৱহাৰ কৰি, এখন বিশেষ ধৰণৰ ব'ৰ্ডত উঠি (কেতিয়াবা ব'ৰ্ড নোহোৱাকৈয়ে) ঢৌৰ লগতে উঠা-নমা কৰি পাৰৰ ফালে অহা এক অতি ৰোমাঞ্চকৰ আৰু উত্তেজনাপূৰ্ণ খেল।

যিখন ব'ৰ্ডত উঠি ছাৰ্ফিং কৰা যায়, তাক 'ছাৰ্ফ ব'ৰ্ড' (surf board) বোলে। পাতল-টান আৰু স্পঞ্জজাতীয় প্লাষ্টিকৰ ব'ৰ্ড এখনত ৰেজিন আৰু ফাইবাৰ গ্লাছৰ প্ৰলেপ দি ছাৰ্ফ ব'ৰ্ড তৈয়াৰ কৰা হয়।

সাগৰৰ ঢৌৰ আকাৰ আৰু আয়তন—ই অতিক্ৰম কৰা মাটিৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। ছাৰ্ফাৰসকলে ঢৌৰ 'টিউব' আকাৰ পছন্দ কৰে। এজন ছাৰ্ফাৰে এটা ভৰি ব'ৰ্ডখনৰ মাজত আৰু আনটো ভৰি পিছফালে দি তাত হেঁচা দি ৰাখে। ভৰি দুখনৰ অৱস্থান সালসলনি কৰি ছাৰ্ফ ব'ৰ্ডৰ বেগ আৰু দিশ সলনি কৰিব পৰা যায়।

যেতিয়া এজন ছাৰ্ফাৰে ঢৌৰ শীৰ্ষৰপৰা হঠাতে নামি আহে; তেতিয়া তাক 'টেকিং দি ড্ৰপ' বুলি কোৱা হয়। ঢৌৰ লগত সময় বা 'টাইমিং' মিলোৱাটো বৰ গুৰুত্বপূৰ্ণ।

আফ্ৰিকা, দক্ষিণ আমেৰিকা, ফ্ৰান্স আৰু জাপানৰ উপকূলৰ ঢৌবোৰ ছাৰ্ফিঙৰ বাবে উপযোগী। এইবোৰ অঞ্চলত ছাৰ্ফিং বৰ জনপ্ৰিয়। ঢৌৰ আটাইতকৈ উত্তম অংশত উপনীত হোৱা, মুঠ কিমান দূৰত্ব অতিক্ৰম কৰা হ'ল, 'টাৰ্ন' লোৱা, পাকখোৱা, ঢৌত উঠাৰ পাৰদৰ্শিতা আদিৰ ওপৰত বিচাৰ কৰি বিজয়ী নিৰ্বাচন কৰা হয়।

## মহিলাৰ বিশ্বকাপ ফুটবল

মহিলাৰ বিশ্বকাপ ফুটবলৰ ইতিহাস বৰ পুৰণি নহয়। ফিফাৰ প্ৰাক্তন অধ্যক্ষ জোৱাও হাভেলাঞ্জৰ মানসপুত্ৰ হিচাপে চিহ্নিত টুৰ্ণামেণ্টখন ১৯৯১ চনৰপৰা আৰম্ভ হৈছিল। ১৯৯১ চনত চীনত অনুষ্ঠিত উদ্বোধনী প্ৰতিযোগিতাখনৰ নাম আছিল 'মহিলাৰ বিশ্ব চেম্পিয়নশ্বিপ'। অৱশ্যে পৰৱৰ্তী সময়ত ফিফা মহিলা বিশ্বকাপ ফুটবল হিচাপে পৰিচিত হয়। ১৯৯১ চনৰ উদ্বোধনী টুৰ্ণামেণ্টখনত ১২ খন দেশে অংশগ্ৰহণ কৰিছিল। ২০১৫ চনত কানাডাত হ'বলগীয়া মহিলা বিশ্বকাপ ফুটবলত দলৰ সংখ্যা ২৪টালৈ বৃদ্ধি কৰা হৈছে।

## অলিম্পিকৰপৰা বাদ পৰিল মল্লযুঁজ

২০২০ চনৰ অলিম্পিকত মুখ্য খেলৰূপে মল্লযুঁজ নাথাকে। ছুইজাৰলেণ্ডত অনুষ্ঠিত আন্তৰ্জাতিক অলিম্পিক কমিটিৰ সভাত এই সিদ্ধান্ত লোৱা হয়। এই সন্দৰ্ভত অলিম্পিক কমিটিৰ বক্তব্য হ'ল—টেলিভিছনৰ ৰেটিং, টিকটৰ বিক্ৰী হ্ৰাস তথা ড'পিঙৰ নানা ঘটনাৰ বাবেই মল্লযুঁজ বাদ দিয়া হৈছে। ◎

## কুইজৰ উত্তৰসমূহ

১। ১৯৩০ চনত, উৰুগুৱেত। ২। ৰঙা পুলিচ (১৯৫৮), নিপ বৰুৱা। ৩। আমুৰ (৪৩৫৯ কিমি.) ৪। গ্ৰেন ৰিকাৰ্ড। ৫। মেৰিয়া এছটেলা পাৰছন (আৰ্জেণ্টিনা)। ৬। পিকিং। ৭। নেপাল। ৮। টেমছ। ৯। মাই ৰেমিনিচেনচেচ। ১০। অসম ৰাজ্যই। ১১। পেছোৱাৰ চহৰ (পাকিস্তানৰ শতকৰা ৯০ ভাগ পলিঅ' আক্ৰান্ত ৰোগী পেছোৱাৰ চহৰৰ)। ১২। শেষ কথা (বাংলা ভাষা, ১৯৫২) (ভাৰতীয় বোলছবি জগতৰ অন্যতম শ্ৰেষ্ঠৰূপে বিবেচিত দিলীপ কুমাৰৰ 'দেৱদাস'ত মুখ্য চৰিত্ৰত (পাৰ') অভিনয় কৰিছিল)। ১৩। চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং আৰু জাপানৰ প্ৰধানমন্ত্ৰী শ্বিনজ' এবে। ১৪। সাহিত্যিক অতুলানন্দ গোস্বামীয়ে। ১৫। দেৱকান্ত বৰুৱা (১৯৭৫)। ১৬। লুবনা মৰিয়ম (বাংলাদেশ)। ১৭। নেডাৰলেণ্ড (ইউৰোপ)। ১৮। মাডাৰ টেৰেজা (১৯৬৯)। ১৯। ধূলিয়ৰি ভৰিৰ সাঁচ। ২০। লি ফক। ২১। মিত্ৰদেৰ মহন্ত। ২২। লং ৱাক টু ফ্ৰিডম। ২৩। নিউইয়ৰ্ক (আমেৰিকা)। ২৪। বড়োসকলৰ। ২৫। চিৰাও।

■ বনানী ডেকা, সুৰজিতা শৰ্মা গোস্বামী

# অসমৰ কিছুমান পৰিভ্ৰমী চৰাই

চৰাইৰ পৰিভ্ৰমণ (Bird Migration) এক প্ৰাকৃতিক প্ৰক্ৰিয়া। চৰাইবোৰে হাজাৰ হাজাৰ কিল'মিটাৰ অতিক্ৰম কৰি আন এক প্ৰাকৃতিক পৰিবেশলৈ গমন কৰে। শীতৰ অধিক প্ৰকোপৰ বাবে হোৱা খাদ্যৰ অভাৱ, প্ৰজননত বাধা, বিভিন্ন বেমাৰ আদিৰপৰা ক্ষণ্তেকীয়া পৰিত্ৰাণৰ কাৰণে সাধাৰণতে স্থানৰ পৰিবৰ্তন কৰে। গতিকে, এই পৰিভ্ৰমণ প্ৰধানকৈ শীতকালত হয়।

অসমত শীতকালি পৰিলক্ষিত হোৱা পৰিভ্ৰমী চৰাই কিছুমান হ'ল—

1. **ফালকেটেড টিল** (Falcated Teal)

বৈজ্ঞানিক নাম : *Anas falcata*

Kingdom – Animalia; Phyllum–Chordata; Class – Anes; Order – Anderiformes; Family – Anatidae.

এই চৰাইবিধ হাঁহজাতীয়। এইবোৰ চৰাইৰ জন্মস্থান পশ্চিম এছিয়াত। শীতকালত ইয়াক অসমৰ এবিধ পৰিভ্ৰমী চৰাই হিচাপে দেখা যায়। ওৰাং প্ৰভৃতি সংৰক্ষিত বনাঞ্চলত থকা বিভিন্ন জলাশয়ত ইহঁতে বিচৰণ কৰেহি। অসমৰ লগতে উত্তৰ প্ৰদেশ, বিহাৰ, হাৰিয়ানালৈ এই চৰাইবিধৰ শীতকালীন পৰিভ্ৰমণ হয়। এই চৰাইৰ পৃথিৱীত আনুমানিক সংখ্যা ৮৯,০০০।

মতা আৰু মাইকী দুয়োবিধেই প্ৰায় ৪৬-৫৩ ছেমি. দীঘল। ইহঁতৰ ঠোঁট দীঘল আৰু ধোঁৱা বৰণীয়া। পাখি কিছু মটীয়া ধৰণৰ। পিছৰ অংশত কিছু ক'লা বৰণৰ পাখিও থাকে। মূৰ সেউজীয়া বৰণৰ।

2. **সেউজীয়া বালিখোঁচৰা** (Green Sandpiper)

বৈজ্ঞানিক নাম : *Tringa ocdropus*

Kingdom – Animalia; Phyllum – Chordata; Class – Anes; Order – Charadriiformes; Family – Scolopacedae.

এই চৰাইবিধ দেখাত সাধাৰণ জাতৰ বালি খোঁচৰাৰ সৈতে প্ৰায় একে। এইবোৰ চৰাইৰ জন্মস্থান ইউৰোপ আৰু এছিয়া। শীতকালৰ পৰিভ্ৰমী চৰাইৰূপে অসমৰ আওহতীয়া অঞ্চলবিশেষে পানী যুঁৰলিবোৰত ইহঁতে বিচৰণ কৰে। ইহঁতৰ পিঠিৰ পিছ অংশত এচমকা বগা পাখি থাকে। ঠেং দুখন সেউজবুলীয়া। চকুৰ ওপৰভাগত দীঘলীয়া আঁচ বা চেলাউৰি আছে। মাইকী চৰাইৰ ডিঙিত এচমকা বগা পাখিৰ আলংকাৰিক দাগ থাকে। এই চৰাইবিধে কীট-পতংগ আৰু জলজ উদ্ভিদৰ কুঁহিপাত, গুটি আদি খায়। এই চৰাইবিধে বেলেগ প্ৰজাতিৰ চৰাইৰ বাহত কণী পাৰে। ভাৰতৰ উপৰিও বাংলাদেশ আৰু শ্ৰীলংকাতো দেখিবলৈ পোৱা যায়।

3. **ৰাফ** (Ruff)

বৈজ্ঞানিক নাম : *Philomachus pugnax*

Kingdom – Animalia; Phyllum – Chordata; Class – Anes; Order – Charadriiformes; Family – Scolopacedae.

ইহঁতৰ জন্মস্থান উত্তৰ ইউৰেছিয়া (Northern Euresia)। ইহঁতে পৃথিৱীৰ বহুতো ঠাই আৰু ভাৰততো জাৰকালি পৰিভ্ৰমণ কৰে। মতা 'ৰাফ' চৰাই মাইকীবোৰতকৈ ডাঙৰ। মতা চৰাইবোৰৰ মূৰত এক ফুলসদৃশ (plumage) অংশ থাকে। এই ফুলসদৃশ অংশৰ ওপৰত ভিত্তি কৰি মতা 'ৰাফ' চৰাই তিনি ধৰণৰ আছে। বোকা-পানীৰে পৰিপূৰ্ণ পানী যুঁৰলিবোৰত ইহঁতক দেখা যায়। ইহঁতে মাটিত গাত খান্দি বাহ সাজে। বাহটো ঘাঁহ, পাতি আদিৰে ঢাকি ৰাখে।

4. **মুগাৰঙী বাঘচৰাই** (Brown Shrike)

বৈজ্ঞানিক নাম : *Lanius cristatus*

Kingdom – Animalia; Phyllum – Chordata; Class – Anes; Order – Passeriformes; Family – Lanidae.

ইহঁতৰ জন্মস্থান উত্তৰ এছিয়াত। ইহঁতে ভাৰত, ম্যানমাৰ আদি বিভিন্ন ঠাইলৈ পৰিভ্ৰমণ কৰে। মূৰ আৰু পিঠিৰ পাখি ডাঠ মুগা বৰণীয়া, ঠোঁট শকত। নেজ অংশ আগলৈ চিয়াঁ। ইহঁতে কীট-পতংগ ভক্ষণ কৰে। এইবিধ চৰাই আগষ্ট আৰু ছেপ্টেম্বৰৰ ভিতৰত ভাৰতলৈ আহে। ◎

■ বিতোপন বৰবৰা

# কলাৰ শিৰোমণি 'চলচ্চিত্ৰ কলা'

মানৱ সভ্যতাৰ ক্ৰমবিকাশত মানুহে সুকুমাৰ কলাৰ নানা শ্ৰেণীবিভাজন কৰি লৈছিল। পিছত ১৮৯৬ত চলচ্চিত্ৰৰ আৱিৰ্ভাৱৰ লগে লগেই বিশ্বজুৰি নতুন শিল্প মাধ্যমটোৰ গুণাগুণৰ বিপুল চৰ্চা আৰম্ভ হয়। এনে চৰ্চাৰ অন্তত একপ্ৰকাৰ স্বীকাৰ কৰি লোৱা হ'ল যে চলচ্চিত্ৰ নিঃসন্দেহে এটা মিশ্ৰ বা যৌগ কলা মাধ্যম। আন সকলো শিল্প-কলাক অন্তস্থ কৰি ল'ব পৰা শক্তিৰে ধন্য ই এটা সাৰগ্ৰাহী আৰু সৰ্বোৎকৃষ্ট কলা মাধ্যম। মূলতঃ চলচ্চিত্ৰ কলাক সকলো কলাৰ শিৰোমণি বুলিনো কিয় গণ্য কৰি লোৱা হ'ল সেই কথাৰ বুজ লোৱাৰ আগতে আমি আন কলা-কৃতিবোৰৰ গুণ-গৰিমাৰ বুজ লোৱাটো উচিত হ'ব।

চলচ্চিত্ৰ কলাৰ আৱিৰ্ভাৱৰ আগলৈকে মানুহে যিবোৰ সুকুমাৰ কলাৰ শ্ৰেণী বিভাজন বা নিৰ্দিষ্ট কৰিছিল সেইবোৰ হয় দৃশ্য কলা নতুবা শ্ৰব্য কলা আছিল। নাটক, নৃত্য, চিত্ৰকলা আৰু ভাস্কৰ্য কলা যদি দৃশ্যমান অৰ্থাৎ দৃশ্য কলা আছিল তেন্তে সাহিত্য, কাব্য আৰু মূলতঃ সংগীত আছিল শ্ৰব্য কলা। পাছলৈ সভ্যতাৰ ক্ৰমোত্তৰণৰ লগে লগে লিপিৰ আৱিৰ্ভাৱৰ পিছত সাহিত্যৰ ৰসাস্বাদন দৃশ্য আৰু শ্ৰব্য উভয় মাধ্যমেৰেই কৰিব পৰা হ'ল। কিন্তু মনত ৰাখিবলগীয়া যে সাহিত্যৰ ৰসাস্বাদন আনবোৰ কলাৰ দৰে বৰ প্ৰত্যক্ষ নহয় আৰু এই ক্ষেত্ৰত অনুভৱে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেই অৰ্থত আজিৰ সাহিত্যৰ কলাগুণ মূলতঃ বিমূৰ্ত আৰু লিপিয়ে সাংকেতিক আৰু প্ৰতীকী ভাষাৰে ইয়াক মানুহৰ বোধগম্য কৰে। অন্যহাতে নৃত্যকলা আৰু গীতি-নৃত্য হ'ল দৃশ্য-শ্ৰাব্য কলা আৰু ইয়াৰ বিপৰীতে সংগীত হ'ল শ্ৰব্য কলা। ইয়াৰ মাজৰে গীতি-নৃত্য, পশ্চিমত যাক কোৱা হয় 'অপেৰা' বুলি—এইবিধ শিল্প মাধ্যমক চলচ্চিত্ৰৰ পূৰ্বৰ মিশ্ৰ কলা বুলি ক'ব পাৰি কিয়নো ইয়াত নাটক, নৃত্য আৰু সংগীত আৰু আনকি পৰিবৰ্তনীয় নেপথ্যৰ পটৰ বাবে চিত্ৰকলাৰো ব্যৱহাৰ হয়।

কিন্তু ১৮৯৬ চনত লুমিয়েৰ ভ্ৰাতৃদ্বয়ে চলচ্চিত্ৰৰ ইতিহাসৰ সূচনা কৰাৰ লগে লগে আৰু মূলতঃ নিৰ্বাকৰপৰা সবাকলৈ আৰু পাছত ক'লা-বগাৰপৰা ৰঙীণলৈ চলচ্চিত্ৰৰ বিৱৰ্তন হোৱাৰ লগে লগে চলচ্চিত্ৰৰ অভূতপূৰ্ব শক্তি আৰু শ্ৰেষ্ঠত্ব ক্ৰমে স্পষ্টতৰ হৈ পৰিল। দেখা গ'ল যে চলচ্চিত্ৰই আন সকলো শিল্পকলাৰ অনুপান আত্মস্থ কৰিও আপোন জেউতিৰে অভাৱনীয়ভাৱে উজলি পৰিছে। এহাতে ই যিদৰে কথা-সাহিত্যৰ কথকতা আৰু কবিতাৰ কাব্য আৰু গীতিময়তা সনা-পিঠা কৰি পেলাইছে সেইদৰে চিত্ৰকলাৰ লগতে স্থিৰচিত্ৰ আৰু ভাস্কৰ্যৰ ব্যাকৰণ, কম্পজিশ্বন, খালী ঠাইৰ ব্যৱহাৰ, ছাঁ-পোহৰৰ খেলা, দ্বিমাত্ৰিকৰপৰা ত্ৰিমাত্ৰিকলৈ ইমেইজৰ উত্তৰণ ইত্যাদিকো একাত্ম কৰি লৈছে। কোৱা হয় যে বাস্তৱানুগতাৰ ফালৰপৰা চলচ্চিত্ৰ সাহিত্যৰ যথেষ্ট নিকট কিন্তু দুয়োবিধ মাধ্যমৰ ৰসাস্বাদনৰ প্ৰক্ৰিয়াৰ মাজৰ পাৰ্থক্য বিপুল, কিয়নো সাহিত্যৰ নিয়ত সাৰথি হ'ল শুনোতা অথবা পঢ়োতাৰ কল্পনা অথচ চলচ্চিত্ৰ সমূলি দৃশ্যমান, গতিশীল আৰু ধ্বনিময়; আৰু গতিশীলতা আৰু ধ্বনিময়তাৰ লগতে ইয়াৰ অভাৱনীয় বাস্তৱানুগতাই চলচ্চিত্ৰক বাকীবোৰ শিল্পমাধ্যমৰপৰা বহুখিনি নিলগাই পেলালে। অৱশ্যে উল্লেখ কৰা উচিত হ'ব যে চলচ্চিত্ৰই আন শিল্প-মাধ্যমবোৰৰ অনুপান লৈয়েই নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিলে যদিও আন শিল্প মাধ্যমবোৰো নিজ নিজ গুণ-গৰিমাৰে ক্ৰমে উত্তৰিত নোহোৱাকৈ থকা নাই কিয়নো প্ৰত্যেক শিল্প মাধ্যমেৰে নিজ নিজ কেতবোৰ এনে বৈশিষ্ট্য আৰু সৌন্দৰ্য থাকে যিবোৰৰ বিকল্প নাই। এইখিনিতে উল্লেখ কৰিবলৈ মন গৈছে যে চলচ্চিত্ৰৰ আজিও ব্যৱহৃত হৈ থকা প্ৰজেক্সন স্ক্ৰীণখনৰ যি ৪:৩ মাপ, সেয়া লোৱা হৈছিল চিত্ৰকলাত ইতিমধ্যে সৰ্বসন্মতভাৱে গ্ৰহণযোগ্য হোৱা আৰু পাবলো পিকাছোৰ উদ্যোগত স্থিৰ হোৱা পেইণ্টিঙৰ ষ্টেণ্ডাৰ্ডাইজড মাপ 'গ'ল্ডেন ছেক্সন'ৰপৰা। ইফালে চিনেমাই দেখোন

সাহিত্যৰ পৰাই তাৰ গাঁথনি ধাৰ কৰিছে, কিয়নো সাহিত্যৰ দৰে চলচ্চিত্ৰৰো এটা আৰম্ভণি থাকে, মধ্যম ভাগ এটা থাকে আৰু অন্ত থাকে। এই ধৰণৰ যুক্তি এটা সাহিত্যৰ অনুগামীসকলে ষাঠিৰ দশকত যেতিয়া উত্থাপন কৰিছিল তেতিয়া ফ্ৰান্সৰ প্ৰখ্যাত চলচ্চিত্ৰ তাত্বিক, সমালোচক আৰু নিৰ্মাতা জাঁ লিক গডাৰে কৈছিল—"But not necessarily in same order." অৰ্থাৎ সাহিত্য কৰ্ম এটাৰ শেষছোৱা চলচ্চিত্ৰ একোখনৰ আৰম্ভণি হ'ব পাৰে, মাজভাগ শেষলৈ যাব পাৰে আৰু আৰম্ভণিভাগ মাজলৈ যাব পাৰে। চলচ্চিত্ৰ শিল্পৰ মাহাত্ম্যও এইখিনিতে, ই আন সকলো শিল্প মাধ্যমৰ অনুপান লৈ নিজে ধন্য হৈছে অথচ উজলি উঠিছে আপোন সৌন্দৰ্য আৰু গৰিমাৰে।

কিন্তু নান্দনিক গুণ-গৰিমাৰ লগতে আন শিল্প মাধ্যমতকৈ চলচ্চিত্ৰ অপাৰ সম্ভাৱনাময় এই কাৰণেই যে এহাতে যিদৰে ই নিমিত্ত মনোৰঞ্জনমূলক, আনহাতে ৰুচিবান স্ৰষ্টা আৰু দৰ্শকৰ বাবে ই পৰম চিত্তালোড়নকাৰী আৰু ভাবোদ্দীপকো। আজিৰ কালত পৃথিৱীত হয়তো এনে এটা বিষয় নাই যাৰ চলচ্চিত্ৰায়ন হোৱা নাই বা যিটো চলচ্চিত্ৰৰ চতুৰ্কোণ বিশিষ্ট পৰ্দাত উন্মোচিত হোৱা নাই। আজিৰ সময়ত হয়তো কাহিনীৰ কথন আৰু উন্মোচনতকৈ বহু বেছি পৰিমাণে তথ্যৰ চিত্ৰায়ন অথবা ডকুমেণ্টেশ্বনত চলচ্চিত্ৰ মাধ্যমৰ প্ৰয়োগ হ'ব ধৰিছে আৰু এইফালৰপৰা অনায়াসে জ্ঞানৰ অন্বেষণ কৰিবলৈ চলচ্চিত্ৰ অতিকৈ উপযোগী মাধ্যম হৈ পৰিছে। ছাত্ৰ-ছাত্ৰীসকলে সেয়ে এইবিধ শিল্প মাধ্যমৰ মহিমা বুজি তাৰ ৰসাস্বাদনেই নহয় বৰঞ্চ জ্ঞানান্বেষণৰ কাৰণেও শিল্প-মাধ্যমটোৰ ব্যৱহাৰ কৰিলে নিশ্চয়কৈ উপকৃত হ'ব। ◎

## ২০১৩ চনৰ ন'বেল বঁটা পোৱা ব্যক্তিসকল

**শান্তি :** ডি. ইউনাইটেড নেচনছ বেকড্ অৰগেনাইজেছন ফৰ দি প্ৰহিবিছন অৱ কেমিকেল ৱেপনে ২০১৩ চনৰ ১১ অক্ট'বৰ তাৰিখে ২০১৩ চনৰ শান্তিৰ ন'বেল বঁটা লাভ কৰে। এই প্ৰতিষ্ঠানৰ পৰিচালক হ'ল—আহমেট উজুমকু।

**সাহিত্য :** কানাডাৰ এলিছ মুনৰ'ৱে ২০১৩ চনৰ ১০ অক্ট'বৰ তাৰিখে ২০১৩ চনৰ সাহিত্যৰ ন'বেল বঁটা লাভ কৰে। এওঁ প্ৰথমগৰাকী কানাডাৰ মহিলা যি সাহিত্যৰ ন'বেল বঁটা লাভ কৰিছে। এওঁ চুটি গল্পৰ লেখক হিচাপে বিশ্ববিখ্যাত।

**পদাৰ্থবিজ্ঞান :** ব্ৰিটেইনৰ পিটাৰ হিগছ আৰু ফ্ৰেনছিঅ'ছ ইংগলাৰ্ট নামৰ বেলজিয়ামৰ বিজ্ঞানী দুজনে ২০১৩ চনৰ ৮ অক্ট'বৰ তাৰিখে পদাৰ্থবিজ্ঞানৰ ন'বেল বঁটা লাভ কৰে। তেওঁলোকে কৰা গৱেষণাৰ বিষয়বস্তু আছিল 'কেনেকৈ মৌলিক পদাৰ্থই তৰা আৰু গ্ৰহৰপৰা ভৰ লাভ কৰে'।

**চিকিৎসাবিজ্ঞান :** আমেৰিকা যুক্তৰাষ্ট্ৰৰ জেমছ ই ৰ'থমেন, ৰেন্ডি, ডব্লিউ ছেকামন আৰু থমাছ ছি ছুডফ নামৰ বিজ্ঞানী তিনিজনে ২০১৩ চনৰ চিকিৎসাবিজ্ঞানৰ ন'বেল বঁটা লাভ কৰিছে। এওঁলোকৰ গৱেষণাৰ বিষয়বস্তু আছিল 'জীৱকোষবোৰে কেনেকৈ কোষক প্ৰয়োজন হোৱা আন অণুবোৰ সংগঠন কৰে আৰু পৰিবহন কৰে'।

**অৰ্থনীতি :** আমেৰিকাৰ অৰ্থনীতিবিদ ইউজিন এফ. ফামা, ৰবাৰ্ট জেম শিলাৰ আৰু লাৰচ পিটাৰ হানছেনে ২০১৩ বৰ্ষৰ অৰ্থনীতিৰ ন'বেল বঁটা লাভ কৰিছে। এওঁলোকক ২০১৩ চনৰ ১৪ অক্ট'বৰ তাৰিখে ষ্টকৰ ধাৰা, চুক্তি আৰু আৱাসগৃহ বাণিজ্যৰ ওপৰত কৰা গৱেষণাৰ বাবে এই বঁটা প্ৰদান কৰা হয়।

**ৰসায়ন বিজ্ঞান :** ২০১৩ চনৰ ৰসায়নবিজ্ঞানৰ ন'বেল বঁটা, অষ্ট্ৰিয়াৰ মাৰ্টিন কাৰপালছ, ইংলণ্ডৰ মাইকেল লেভিট আৰু আমেৰিকাৰ এৰিছ ৱাৰশ্বেল নামৰ বিজ্ঞানী তিনিজনে লাভ কৰিছে। এওঁলোকৰ গৱেষণাৰ বিষয় আছিল 'জটিল ৰাসায়নিক পদ্ধতিৰ বহুস্তৰীয় আৰ্হিৰ উন্নীতকৰণ।'

■ লিপিমণি দত্ত

# সাহিত্যক্ষেত্ৰৰ উল্লেখযোগ্য বঁটা-বাহন

সাহিত্যই মানুহৰ চিন্তা-চেতনাৰ প্ৰগতিৰ উমান দিয়ে। মহৎ সাহিত্য হৈ পৰে সমাজৰ দিক্ নিৰ্ণায়ক, প্ৰগতিৰ বাৰ্তাবাহক। পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্যসমূহক স্বীকৃতি দি জনতাৰ ওচৰত পৰিচিত কৰাৰ বাবেই বিভিন্ন বঁটা-বাহনেৰে তেওঁলোকক সন্মানিত কৰা হয়। এনে বঁটা প্ৰদানে সাহিত্যিকৰ দায়বদ্ধতা বৃদ্ধি কৰাৰ লগতে প্ৰেৰণাৰে মনোবল বৃদ্ধিতো সহায় কৰে। বিভিন্ন ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয়, আঞ্চলিক সংস্থা-সংগঠনে সাহিত্য ক্ষেত্ৰত বিভিন্ন পুৰস্কাৰ প্ৰদান কৰি এক উল্লেখনীয় কৰ্ম সম্পাদন কৰি আহিছে। এনে কেতবোৰ সাহিত্য পুৰস্কাৰৰ বিষয়ে ইয়াত সংক্ষেপে উল্লেখ কৰা হ'ল—

**ন'বেল বঁটা** : ন'বেল বঁটা এক আন্তৰ্জাতিক বঁটা। ১৮৩৩ চনত ছুইডেনত জন্মগ্ৰহণ কৰা আলফ্ৰেড বেৰ্ণহাৰ্ট ন'বেলৰ (১৮৩৩-১৮৯৬) নামত শ্ৰম, সাধনা আৰু গৱেষণাৰদ্বাৰা মানৱজাতিৰ কল্যাণৰ হকে কৰা সৰ্বোৎকৃষ্ট কৰ্মৰ বাবে এই বঁটা প্ৰদান কৰা হয়। আলফ্ৰেড ন'বেলৰ পঞ্চম মৃত্যুবাৰ্ষিকীত ১৯০১ চনৰপৰা এই বঁটা দিয়াৰ পৰম্পৰা আৰম্ভ হয়। পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, চিকিৎসাবিজ্ঞান, সাহিত্য, শান্তি আৰু অৰ্থনীতিৰ বাবে এই বঁটা প্ৰদান কৰা হয়। পুৰস্কাৰ হিচাপে এটা সোণৰ পদক, প্ৰশংসাসূচক উল্লেখৰ সৈতে এখন প্ৰমাণ-পত্ৰ আৰু সংস্থাৰ আয়ৰ ওপৰত নিৰ্ভৰ কৰি ধন আগবঢ়োৱা হয়। সাহিত্যৰ বাবে প্ৰথমে ১৯০১ চনত ন'বেল বঁটা লাভ কৰে ফৰাচী কবি ছুলি প্ৰুডমে (Sully Prudhomme)। ২০১৩ চনত এই বঁটা লাভ কৰে কানাডাৰ প্ৰসিদ্ধ গল্পকাৰ এলিছ মুন্‌ৰোৱে। আনহাতে ১৯১৩ চনত ভাৰতীয় কবি ৰবীন্দ্ৰনাথ ঠাকুৰে 'গীতাঞ্জলি' কাব্যগ্ৰন্থৰ বাবে সাহিত্যৰ ন'বেল বঁটা লাভ কৰিছিল। সকলো বঁটা-প্ৰাপকৰ নাম ইয়াত উল্লেখ কৰা হোৱা নাই।

**বুকাৰ পুৰস্কাৰ** : বুকাৰ পুৰস্কাৰ সাহিত্যক্ষেত্ৰৰ আন এক আন্তৰ্জাতিক পুৰস্কাৰ। ইংলেণ্ডৰ বুকাৰ মেক্‌কনেল লিমিটেডৰ পৃষ্ঠপোষকতাত আৰু নেশ্যনেল বুক লীগৰ পৰিচালনাত এই পুৰস্কাৰ প্ৰদান কৰা হয়। কমনৱেলথ ৰাষ্ট্ৰসমূহ, আয়াৰলেণ্ড, পাকিস্তান আৰু দক্ষিণ আফ্ৰিকাৰ লেখকৰদ্বাৰা ইংৰাজী ভাষাত ৰচিত পূৰ্ণদৈৰ্ঘ্যৰ উৎকৃষ্ট উপন্যাসৰ বাবে এই পুৰস্কাৰ দিয়া হয়। ১৯৬৯ চনৰপৰা আৰম্ভ কৰা এই পুৰস্কাৰক ২০০২ চনৰপৰা 'মেন বুকাৰ প্ৰাইজ' (The Man Booker Prize for fiction) বুলি নতুনকৈ নামকৰণ কৰা হয়। ভাৰতীয় বংশোদ্ভৱ ব্ৰিটিছ নাগৰিক ছালমান ৰুশ্‌ডিয়ে ১৯৯৩ চনত 'মিড্‌নাইট চিলড্ৰেন' নামৰ উপন্যাসৰ বাবে আৰু ভাৰতীয় লেখিকা অৰুন্ধতী ৰয়ে ১৯৯৭ চনত তেওঁৰ 'দ্য গড অৱ স্মল থিংছ' নামৰ উপন্যাসৰ বাবে এই বঁটা লাভ কৰে। ২০১৩ চনত নিউজিলেণ্ডৰ সাহিত্যিক Eleaner Catton য়ে 'The Luminaries' উপন্যাসৰ বাবে এই বঁটা লাভ কৰে।

**পুলিৎযাৰ পুৰস্কাৰ** : আমেৰিকাৰ দক্ষ প্ৰকাশক আৰু সাংবাদিক জোছেফ পুলিৎযাৰৰ (Joseph Pulitzer) নামেৰে এই বঁটা প্ৰদান কৰা হয়। পুলিৎযাৰে কলম্বিয়া বিশ্ববিদ্যালয়লৈ দি থৈ যোৱা ধনেৰে ১৯১৭ চনৰপৰা কলম্বিয়া বিশ্ববিদ্যালয়ে আমেৰিকাৰ সংবাদ, সাহিত্য আৰু সংগীত জগতলৈ বিশিষ্ট অৱদান আগবঢ়োৱা লোকক এই পুৰস্কাৰ দি আহিছে। সাহিত্যৰ ক্ষেত্ৰত ছটা শিতানত এই পুৰস্কাৰ দিয়া হয়। আমেৰিকান লেখকৰদ্বাৰা ৰচিত পূৰ্ণদৈৰ্ঘ্যৰ উপন্যাস, নাটক, সাম্প্ৰতিক ইতিহাস সম্পৰ্কে লিখা পুথি, বিশিষ্ট জীৱনী/আত্মজীৱনী, কবিতা আৰু অন্যান্য উল্লেখযোগ্য গ্ৰন্থৰ বাবে এই পুৰস্কাৰ প্ৰদান কৰা হয়।

**জ্ঞানপীঠ পুৰস্কাৰ** : জ্ঞানপীঠ পুৰস্কাৰ ভাৰতৰ সৰ্বোচ্চ সাহিত্য সন্মান। দ্য টাইমছ অৱ ইণ্ডিয়া বাতৰিকাকতৰ প্ৰকাশক চাহু জৈন পৰিয়ালৰদ্বাৰা গঠন কৰা এটা ন্যাসৰদ্বাৰা ভাৰতীয় জ্ঞানপীঠ বঁটা প্ৰদান কৰা হয়।

এই বঁটাত আছে নগদ ১১ লাখ টকা, এখন মানপত্র আৰু সৰস্বতীৰ ব্ৰঞ্জৰ মূৰ্তি। ১৯৬৫ চনৰপৰা এই বঁটা প্ৰদান কৰি অহা হৈছে। ইংৰাজীকে ধৰি ভাৰতৰ সংবিধানৰ অষ্টম অনুসূচীত থকা আধুনিক ভাষাসমূহৰ যিকোনো ভাষাৰ সাহিত্যৰ ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট সৃষ্টিশীল কৰ্মৰ বাবে প্ৰতি বছৰে এই বঁটা প্ৰদান কৰা হয়। ১৯৬৫ চনত মালায়ালম লেখক জি শংকৰ কুৰুপক পোনপ্ৰথমবাৰৰ বাবে এই বঁটা প্ৰদান কৰা হৈছিল। ১৯৮২ চনৰ আগতে এখন নিৰ্দিষ্ট গ্ৰন্থৰ বাবে এই বঁটা প্ৰদান কৰা হৈছিল যদিও তাৰ পিছত লেখকজনৰ সামগ্ৰিক সাহিত্যকৃতিৰ বাবে এই বঁটা আগবঢ়োৱা হয়। অসমীয়া সাহিত্যত ১৯৭৯ চনত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই 'মৃত্যুঞ্জয়' উপন্যাসৰ বাবে আৰু ২০০০ চনত মামণি ৰয়ছম গোস্বামীয়ে সমগ্ৰ সাহিত্যকৃতিৰ বাবে এই পুৰস্কাৰ লাভ কৰে। ২০১২ চনত তেলেগু ঔপন্যাসিক আৰু গল্পকাৰ ৰাভুৰি ভৰদ্বাজক জ্ঞানপীঠ বঁটা প্ৰদান কৰা হয়।

**সাহিত্য অকাডেমি বঁটা :** সাহিত্য অকাডেমি বঁটা হৈছে ভাৰতৰ ৰাষ্ট্ৰীয় সাহিত্য অনুষ্ঠান সাহিত্য অকাডেমিয়ে প্ৰতিবছৰে প্ৰদান কৰা বঁটা। প্ৰতিবছৰে ভাৰতৰ প্ৰধান চৌবিশটা ভাষাৰ কোনো লেখকৰ উল্লেখনীয় কৃতিৰ বাবে এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে সাহিত্য অকাডেমিৰ প্ৰতীক সম্বলিত ফলক, এখন শ্বল আৰু নগদ এক লাখ টকা। 'বনফুল' কাব্যগ্ৰন্থৰ বাবে ১৯৫৫ চনত যতীন্দ্ৰনাথ দুৱৰাই অসমীয়া ভাষাত পোনপ্ৰথমবাৰৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰে। ২০১৩ চনত ৰবীন্দ্ৰ চৰকাৰে 'ধূলিয়ৰী ভৰিৰ সাঁচ' গ্ৰন্থখনৰ বাবে এই পুৰস্কাৰ লাভ কৰে। সাহিত্য অকাডেমিয়ে আগবঢ়োৱা আন সাহিত্য সন্মানসমূহৰ ভিতৰত ভাষা সন্মান, অনুবাদ বঁটা, বাল সাহিত্য পুৰস্কাৰ আদি উল্লেখযোগ্য। ভাৰতবৰ্ষ এখন বহুভাষিক দেশ। কিন্তু সাহিত্য অকাডেমি স্বীকৃত ভাষাৰ সংখ্যা মাত্ৰ ২৪টাহে। এই স্বীকৃত ভাষাকেইটাৰ বাহিৰে অন্য ভাষাৰ লেখক, গৱেষক, সম্পাদক, সংগ্ৰাহকলৈ সংশ্লিষ্ট ভাষাটোৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে আগবঢ়োৱা বৰঙণিৰ বাবে ভাষা সন্মান প্ৰদান কৰা হয়। আনহাতে কোনো ভাষাৰ বিশিষ্ট অনুবাদ কৰ্মৰ বাবে অনুবাদ বঁটা আৰু শিশু সাহিত্যৰ বাবে বাল সাহিত্য পুৰস্কাৰ আগবঢ়োৱা হয়।

**কথা বঁটা :** ভাৰতীয় সৃজনীশীল সাহিত্যক উদগণি যোগোৱাৰ অৰ্থে 'কথা' নামৰ বেচৰকাৰী সংগঠনে ১৯৯০ চনৰপৰা 'কথা' বঁটা ঘোষণা কৰি আহিছে। ভাৰতৰ কেইবাটাও আঞ্চলিক ভাষাত লিখা চুটিগল্পৰ বাবে 'কথা' বঁটা প্ৰদান কৰা হয়। দেশৰ বহুকেইগৰাকী গল্পকাৰৰ লগতে ইতিমধ্যে অসমৰো কেইবাগৰাকী গল্পকাৰে এই বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। কেৱল চুটিগল্পৰ বাবেই নহয়, সাহিত্যৰ আন কিছুমান শিতানতো অনুষ্ঠানটোৱে বঁটা আগবঢ়ায়। সাহিত্যৰ ক্ষেত্ৰত জীৱনজোৰা সাধনাৰ বাবে অনুষ্ঠানটোৰ সৰ্বোচ্চ সন্মান 'কথা চূড়ামণি' আগবঢ়োৱাৰ উপৰি অনুবাদৰ ক্ষেত্ৰত ৰামানুজন বঁটা, মৌখিক লোককথা লিখকৰ বাবে 'কথাকাৰী' বঁটা, লোক পৰম্পৰা সাম্প্ৰতিক গল্পত তুলি ধৰা লেখকৰ বাবে 'কথা বাচক' বঁটা আদি প্ৰদান কৰা হয়। প্ৰতিটো বঁটাত স্মাৰকসহ নগদ ধন আৰু এই বঁটাৰে সন্মানিত সৃষ্টিকৰ্মৰ প্ৰকাশিত সংকলন আগবঢ়োৱা হয়। ◎

(উৎস : বিশ্বকোষ, পঞ্চম খণ্ড আৰু ইণ্টাৰনেট)

## তোমালোকে জানানে?

- *১৯৯২ চনৰ বিশ্বকাপ ক্ৰিকেটত পোনপ্ৰথমবাৰৰ বাবে ফ্লাড লাইট, বগা বল আৰু ৰঙীন জাৰ্চি ব্যৱহাৰ কৰা হয়।*
- *ভাৰতবৰ্ষই ১৯৮৩ চনত আৰু ২০১১ চনত বিশ্বকাপ ক্ৰিকেটৰ চেম্পিয়নৰ খিতাপ দখল কৰে। উল্লেখযোগ্য যে দুয়োটা বছৰতে ভাৰত 'বি' গ্ৰুপৰ অন্তৰ্ভুক্ত আছিল। দুয়োটা বছৰতে ছেমি ফাইনেল বুধবাৰে আৰু ফাইনেল খেলখন ৰবিবাৰে অনুষ্ঠিত হৈছিল।*

## সঘনাই মনলৈ অহা প্ৰশ্ন

- **সাঁতোৰবিদসকলে এযোৰ চশমা পিন্ধি সাঁতোৰে কিয়?**

☞ সাঁতোৰাৰ সময়ত সাঁতোৰবিদসকলে এযোৰ বিশেষ ধৰণৰ চশমা পৰিধান কৰে। চশমাযোৰ পিন্ধি ল'লে তাৰ ভিতৰত পানী প্ৰৱেশ কৰিব নোৱাৰে। ফলত চকু আৰু চশমাযোৰৰ মাজৰ ঠাইখিনি বায়ুৰে পৰিপূৰ্ণ হৈ থাকে। চশমাযোৰ নিপিন্ধিলে সাঁতোৰবিদ এজনে দেখা বস্তুবোৰৰপৰা অহা পোহৰ পানীৰ মাজেৰে আহি তেওঁৰ চকুত পৰিব। পানীত হোৱা প্ৰতিসৰণৰ বাবে তেওঁ বস্তুটোৰ এটা প্ৰতিবিম্বহে দেখা পাব। এই প্ৰতিবিম্ব বস্তুটোতকৈ ওচৰত আৰু কিছু বেঁকাকৈ দেখা যাব, যাৰ বাবে তেওঁ সঠিকভাৱে বস্তুটোৰ স্থান অনুমান কৰিব নোৱাৰিব। চশমাযোৰ পিন্ধিলে পোহৰৰ ৰশ্মিয়ে পানীৰ মাজেৰে অহাৰ উপৰি কিছুদূৰ বায়ুৰ মাজেৰে আহিব লাগিব। ফলত সাঁতোৰবিদজনে পানীৰ বাহিৰত থাকিলে বস্তু এটা যি স্থানত যিদৰে দেখে তেনেদৰে দেখা পাব।

- **ফ'গলাইট (Fog Light) বা কুঁৱলীৰ মাজেৰে ব্যৱহাৰ কৰা লাইট হালধীয়া কিয়?**

☞ বায়ুত নানান ধৰণৰ কণিকা ওপঙি থাকে। পোহৰ বায়ুৰ মাজেৰে আহিলে এনে কণিকাত পৰি চাৰিওফালে সিঁচৰতি হৈ যায়। ইয়াক পোহৰৰ বিক্ষেপণ বোলা হয়। চুটি তৰংগদৈৰ্ঘ্যৰ পোহৰতকৈ দীঘল তৰংগ দৈৰ্ঘ্যৰ পোহৰৰ বিক্ষেপণ বেছি হয়। কুঁৱলী বেছিকৈ পৰিলে পোহৰৰ বিক্ষেপণ বেছি হয় আৰু সমুখৰ ফালে বেছি দূৰলৈ ভালদৰে দেখা নাযায়। ৰঙা, কমলা বা হালধীয়া ৰঙৰ পোহৰৰ বিক্ষেপণ কম হোৱা বাবে কুঁৱলী থকা সময়তো পোহৰে বেছি দূৰলৈ বেছি বিক্ষেপণ নোহোৱাকৈ যাব পাৰে। ফ'গ লাইট ৰঙা বা কমলা হ'লে সমুখৰ বস্তুবোৰ ভালদৰে বা স্পষ্টকৈ দেখা নাযাব। আনহাতে হালধীয়া ৰঙৰ পোহৰৰ বিক্ষেপণ কমলা বা ৰঙা ৰঙতকৈ অলপ বেছি হ'লেও হালধীয়া ৰঙৰ পোহৰত তুলনামূলকভাৱে যথেষ্ট স্পষ্টকৈ কোনো বস্তু দেখা যায়। সেয়েহে কুঁৱলীৰ মাজেদি গাড়ী চলাওঁতে হালধীয়া ৰঙৰ লাইট ব্যৱহাৰ কৰা হয়।

- **খজুৱালে আৰাম লাগে কিয়?**

☞ পাৰিপাৰ্শ্বিকতাৰ কোনো কাৰকৰ বাবে আমাৰ ছালত থকা স্নায়ুবোৰ উত্তেজিত হয় আৰু মগজুলৈ খজুৰতিৰ অনুভূতি প্ৰেৰণ কৰে আৰু আমাৰ খজুৰতি লাগে। খজুৱাই দিলে সেই স্থানত কিবা অন্য পদাৰ্থ লাগি থাকিলে সি আঁতৰি যায় বা সেই স্থানৰপৰা মগজুলৈ খজুৰতিৰ উত্তেজনাৰ বাহিৰেও খজুৱাই দিয়া বাবে অন্য উত্তেজনা মগজুলৈ প্ৰেৰিত হ'বলৈ ধৰে। ইয়াৰ বাবেই খজুৰতিৰ উপশম ঘটে।

- **দুপৰীয়া গৰম বেছি হয় কিয়?**

☞ দুপৰীয়া সূৰ্যৰ পোহৰ প্ৰায় উলম্বভাৱে কোনো এখন ঠাইত পৰে। আবেলি আৰু পুৱা হেলনীয়া হৈ পৰে। পৃথিৱীৰ ওচৰৰ বায়ুৰ তৰপটোৰ ঘনত্ব আটাইতকৈ বেছি। তাৰ ওপৰলৈ ঘনত্ব ক্ৰমান্বয়ে কম। বেছি ঘনত্বৰ বায়ুৱে বেছি তাপ শোষণ কৰিব পাৰে। আবেলি আৰু পুৱা সূৰ্যৰ ৰশ্মিয়ে বেছি ঘনত্বৰ বায়ুমণ্ডলৰ মাজেৰে অধিক দূৰত্ব অতিক্ৰম কৰিবলগীয়া হয়। দুপৰীয়া সময়ত পুৱা আৰু আবেলিতকৈ পোহৰৰ ৰশ্মি বেছি পোনপটীয়কৈ পৰে। হেলনীয়াকৈ পৰা বাবে পোহৰে দুপৰীয়াতকৈ বেছি ঠাই আগুৰি লয়। এনে অৱস্থাত একেখিনি তাপ বেছি ঠাইত বিয়পি পৰে। আবেলি আৰু পুৱা সূৰ্যৰ পোহৰে বায়ুমণ্ডলৰ মাজেৰে বেছি দূৰ অতিক্ৰম কৰিবলগীয়া হয়। ফলত পোহৰৰ বিক্ষেপনো অধিক পৰিমাণে হয় আৰু কম পৰিমাণৰ পোহৰ পৃথিৱী আহি পায়। এনেবোৰ কাৰণতেই দুপৰীয়া বেছি গৰম হয়। ◎

*(প্ৰশ্নকেইটাৰ উৎস : জ্ঞান বিজ্ঞানৰ কি, কিয়, কোন আৰু কেতিয়া; শান্তনু কৌশিক বৰুৱা)*

■ প্ৰতুল ডেকা

# অসম আৰু চুবুৰীয়া ৰাজ্যবোৰৰ কেইটামান জনগোষ্ঠী

১। অঁকা : অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং আৰু পূব কামেং জিলাত প্ৰধানকৈ বসবাস কৰা এটা প্ৰধান জনগোষ্ঠী হৈছে অঁকা জনগোষ্ঠী। এই জনগোষ্ঠীৰ লোকসকলে মুখত নানান ৰকমৰ চিহ্ন অংকন কৰে বাবে অঁকা নামেৰে তেওঁলোক জনাজাত হৈ পৰে।

অঁকাসকলৰ প্ৰধান খাদ্য হৈছে ভাত, মাকৈ আৰু নানাজাতীয় আলু। ঝুম প্ৰথাৰে তেওঁলোকে খেতি কৰে। ধান, মাকৈ, উৰহীজাতীয় গছৰ খেতি তেওঁলোকে নিজে কৰে। অঁকাসকলৰ এটা প্ৰধান বিশেষত্ব হৈছে যে তেওঁলোকে জলকীয়া নাখায়।

সাজপাৰৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলা উভয়ে পায়জামা বা ঠেঙা পিন্ধে। সেইদৰে পুৰুষ-মহিলা উভয়ে ডিঙিত নানাবিধ শিলৰ মণিৰ মালা পিন্ধে। তেওঁলোকে পাহাৰৰ গাত খুঁটা পুতি তাত বাঁহৰ চাং সাজি তাৰে ওপৰত ঘৰ সাজে। এই ঘৰবোৰ প্ৰায় ১০০ৰপৰা ১৪০ ফুট পৰ্যন্ত দীঘল হয়। তেওঁলোকে মেথোন, গৰু, গাহৰি, ছাগলী, কুকুৰা আৰু পাৰ চৰাই পোহে। তেওঁলোকে গৰুৰ গাখীৰ নাখায় বাবে ভৈয়ামৰ মানুহৰ ওচৰত গাখীৰবোৰ বিক্ৰী কৰে। মেথোন বেছিকৈ পুহিবপৰা লোকসকলক ধনী বুলি অঁকা সমাজত খ্যাতি দিয়া হয়। অঁকা লোকসকলৰ মাজত হিন্দু আৰু বৌদ্ধ দুয়োবিধ ধৰ্মই পালন কৰা দেখা যায়। অঁকাসকলৰ প্ৰধান দেৱতাৰ নাম হৈছে পুমুচাগো। এই দেৱতাজন আকাশ, পাতাল আৰু পৃথিৱীৰ স্ৰজনকৰ্তা বুলি তেওঁলোকে বিশ্বাস কৰে। তেওঁলোকৰ মাজত টকা-পইছাৰ প্ৰচলন একেবাৰে নতুন। তেওঁলোকে আগতে বস্তু সাল-সলনি কৰি জীৱন নিৰ্বাহ কৰিছিল।

টাংছা : অৰুণাচল প্ৰদেশৰ চাংলং জিলাৰ পাহাৰীয়া অঞ্চলত বাস কৰা এটা প্ৰধান জনগোষ্ঠী হৈছে টাংছা। টাংছাসকলে পাটকাই পৰ্বত পাৰ হৈ খেতিৰ মাটি বিচাৰি আহিছিল আৰু অৰুণাচল প্ৰদেশত নিগাজীকৈ থাকিবলৈ লৈছিল। টাংছা পুৰুষসকলৰ প্ৰাচীন সাজপাৰ হ'ল এটা হাত নোহোৱা চোলা, এডাল লেংটি আৰু এখন মূৰত বন্ধা কাপোৰ। টাংছা মহিলাসকলে ৰঙা, ক'লা, বগা আৰু নীলা সূতা মিলাই বোৱা ডেৰহাতমান দীঘৰ কাপোৰ এখন কঁকালৰপৰা ওলোমাই পিন্ধে।

টাংছাসকলৰ প্ৰধান জীৱিকা হৈছে কৃষি। ঝুম খেতিৰ জৰিয়তে তেওঁলোকে ধান, কচু, আদা, হালধি আদিৰ খেতি কৰে। তেওঁলোকে পাহাৰৰ নামনিভাগত চাংঘৰ সাজি বাস কৰে। চাহ খেতিৰ প্ৰচলনো এওঁলোকৰ মাজত দেখিবলৈ পোৱা যায়। কুকুৰা, গাহৰি, ম'হ আদিৰ মঙহ এওঁলোকৰ প্ৰিয় খাদ্য।

জনজাতীয় লোকসকলৰ এক লক্ষণীয় দিশ হৈছে ডেকাচাঙৰ প্ৰচলন। ডেকাচাঙত ডেকাবোৰ ৰাতি একেলগে থাকি গাঁওখনৰ প্ৰতিৰক্ষাৰ দায়িত্ব লয়। টাংছা জনগোষ্ঠীৰ লোকসকলৰ মাজত পূৰ্বতে ডেকাচাঙৰ প্ৰচলন আছিল যদিও বৰ্তমান ই লোপ পাইছে। অৱশ্যে ডেকাচাঙৰ সমধৰ্মী গাভৰু চাঙৰ প্ৰচলন এতিয়াও টাংছা সমাজত দেখিবলৈ পোৱা যায়।

টাংছা জনগোষ্ঠীৰ লোকসকলৰ মাজত বহু বিবাহৰ প্ৰচলন আছে। তেওঁলোকৰ কাৰোবাৰ মৃত্যুৰ পিছত মৃতদেহটো নক্টে আৰু ৱাঞ্চো জনগোষ্ঠীৰ দৰে চাঙৰ ওপৰত তুলি নথৈ পুতি বা পুৰি পেলায়। তেওঁলোকে প্ৰধানকৈ তিনিটা উৎসৱ পালন কৰে। এই উৎসৱকেইটা মূলতঃ কৃষিভিত্তিক উৎসৱ, কঠীয়া সিঁচাৰ আগে আগে ন খোৱা বা নতুনকৈ ধান দোৱাৰ সময়ত আৰু ধান সিঁচাৰ পিছত কঠীয়াবোৰ এবেগেতমান ওখ হ'লে উৎসৱ পালন কৰে। যুদ্ধ-বিগ্ৰহৰ সময়ত শত্ৰুৰ মূৰ কটা প্ৰথাই শস্যৰ শ্ৰীবৃদ্ধি সাধন কৰে বুলি টাংছাসকলে বিশ্বাস কৰে।

**গাৰো :** মেঘালয় ৰাজ্যৰ গাৰোপাহাৰ জিলাত বসবাস কৰা এটা প্ৰধান জনগোষ্ঠী হৈছে গাৰো জনগোষ্ঠী। অৱশ্যে অসমৰ কামৰূপ, গোৱালপাৰা, মেঘালয়ৰ খাছিয়া পাহাৰ আৰু ত্ৰিপুৰাতো গাৰো লোকসকলৰ বসতি আছে। গাৰোসকল পূৰ্বতে কোন ঠাইৰ আছিল সেই বিষয়ে কোনো বুৰঞ্জীমূলক প্ৰমাণ নাই।

গাৰোসকলৰ সমাজ ব্যৱস্থা হৈছে মাতৃপ্ৰধান। অৰ্থাৎ, তেওঁলোকে মাকৰ ফালৰপৰা বংশ গণনা কৰে। মাক যি গোত্ৰৰ হয়, তেওঁলোকৰ ল'ৰা-ছোৱালীয়ো একে গোত্ৰৰ হয়। সেইদৰে সম্পত্তিবোৰো মাকৰপৰা জীয়েকে পায়। ছোৱালীৰ মাক-বাপেকৰ ঘৰলৈ জোঁৱাই আহি থকা নিয়ম গাৰো সমাজত প্ৰচলিত। মাতৃপ্ৰধান শাসন ব্যৱস্থাৰ প্ৰচলন থাকিলেও পুৰুষেহে সম্পত্তিৰ তদাৰক কৰে।

গাৰোসকলৰ জীৱিকাৰ প্ৰধান সম্বল হৈছে খেতি। পাহাৰৰ হাবি-বন কাটি তেওঁলোকে ঝুম খেতি কৰে। তেওঁলোকে ধান, শিমলু, আলু, কপাহ, কচু, বেঙেনা, জলকীয়া, কোমোৰা, লাউ আৰু অনেক শাক-পাচলিৰ খেতি কৰে। চাংঘৰ সাজি বাস কৰাটো তেওঁলোকৰ এক অন্যতম বৈশিষ্ট্য।

গাৰোসকলৰ প্ৰধান উপাস্য দেৱতাজনক ঠাইবিশেষে বেলেগ বেলেগ নামেৰে জনা যায়। সেই নামকেইটা হৈছে চালজং তাতাৰা-ৰাবুগা, মিত্তে দাল্‌গিপা ইত্যাদি। দেৱতাক সন্তুষ্ট কৰিবৰ বাবে তেওঁলোকৰ মাজত বলি দিয়াৰ নিয়ম প্ৰচলিত।

গাৰোসকলৰ প্ৰধান উৎসৱ হৈছে পূব অঞ্চলত মাংগোনা বা দেলনাং চোৱা আৰু পশ্চিম অঞ্চলত ৱানা বা ৱাংগালা। এই উৎসৱবিলাক সাধাৰণতে খেতি চপোৱাৰ পিছত অনুষ্ঠিত কৰা হয়। পূব অঞ্চলত পালন কৰা মাংগোনা উৎসৱটো গাঁৱৰ সমূহীয়া শ্ৰাদ্ধৰ নিচিনা। গোটেই বছৰটোত যিমানবোৰ মানুহৰ মৃত্যু হয়, সেইবোৰৰ প্ৰেতাত্মাৰ শুদ্ধিৰ কাৰণে এই উৎসৱ সমূহীয়াকৈ পতা হয়। সেইদৰে ৱাংগালা হৈছে খেতি চপোৱা হোৱাৰ পিছত ৰং-আনন্দ কৰা উৎসৱ। এই দুয়োটি উৎসৱেই তেওঁলোকে অতি উলহ-মালহেৰে পালন কৰে।

**ডিমাছা :** অসমত বাস কৰা প্ৰধান জনগোষ্ঠীকেইটাৰ ভিতৰত এটা অন্যতম জনগোষ্ঠী হৈছে ডিমাছা। ডিমাছা কছাৰীসকল বৰ্তমান উত্তৰ কাছাৰ পাৰ্বত্য জিলা, নগাঁও জিলা, কাৰ্বি আংলং জিলা, কাছাৰ জিলা, ধনশিৰি আদি অঞ্চলত সিঁচৰতি হৈ বসবাস কৰি আছে। তেওঁলোকে নিজকে 'ডিমাছা' বা 'ডিমাফিছা' বুলি চিনাকি দিয়ে। 'ডি' মানে পানী, 'মা' মানে বৃহৎ, 'ছা' মানে সন্তান, অৰ্থাৎ ডিমাছা শব্দৰ অৰ্থ হৈছে নৈ বা পানীৰ সন্তান।

ডিমাছা সমাজত একে গোত্ৰৰ লোকৰ মাজত বিয়া হ'ব নোৱাৰে। সেইদৰে ডিমাছা সমাজত উত্তৰাধিকাৰ সূত্ৰে সম্পত্তি ভগাই লয় যদিও পিতৃ সম্পত্তি আৰু মাতৃ সম্পত্তি সুকীয়া হৈ থাকে। পুৰুষে ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰ, নগদ টকা-পইছা, মাটি, গৰু-ম'হ ল'ৰা সন্তানে পোৱাৰ বিপৰীতে তাঁতশালৰ আহিলা, তিৰোতাৰ কাপোৰ-কানি, আ-অলংকাৰ আদি কন্যা সন্তানে পায়।

ডিমাছাসকলৰ প্ৰধান জীৱিকা কৃষি কৰ্ম। ঝুম প্ৰথাৰে খেতি কৰাৰ পদ্ধতি এওঁলোকৰ মাজতো প্ৰচলিত। কপাহ, তিল আৰু সৰিয়হ আদিৰ খেতিও এওঁলোকে কৰে। কৃষি কৰ্মৰ উপৰিও ম'হ পালন ডিমাছাসকলৰ জীৱিকাৰ আন এক সম্বল। ডিমাছাসকলে বিভিন্ন দেৱ-দেৱীৰ পূজা কৰে। তেওঁলোকে গেৰবা পূজা, হাচং পূজা, হেৰেমডী পূজা, ৰণচণ্ডী পূজা পাতে। ডিমাছাসকলৰ প্ৰধান উপাস্য দেৱতা হৈছে ব্ৰাইশিৱৰায় (শিৱ-পাৰ্বতী)।

অসমৰ অন্যান্য জাতি-জনজাতিৰ দৰেই ডিমাছা-কছাৰীসকলেও বিহু উৎসৱ পালন কৰে। শালি খেতি চপোৱাৰ পাছত তেওঁলোকে বিহু পালন কৰে। এই উৎসৱক ডিমাছাসকলে বুছু উৎসৱ বুলি কয়। শুক্লপক্ষৰ সোমবাৰ, মংগলবাৰ, বুধবাৰ আৰু শুক্ৰবাৰেহে সাধাৰণতে বুছু উৎসৱ পালন কৰা হয়। বুছু উৎসৱত ডিমাছাসকলে বিহুঢোল, জয়ঢোল, ঢেপাঢোল, পেঁপা আদি বাদ্যযন্ত্ৰ বজাই বিহুৰ নৃত্য কৰে। সেইদৰে মহিলাসকলে মেখেলা (ৰিগু), ৰামধেনুৰ নিচিনা ৰিহা (ৰি খাউছা) ইত্যাদি পৰম্পৰাগত সাজপাৰ পৰিধান কৰে। ◎



শিল্পীৰ দৃষ্টিৰে জি এন ডি ৫২৯৬ নক্ষত্ৰ পুঞ্জ



টাৱাৰ অব চাইলেন্স



ভষ্টক ষ্টেচন




ব্ৰাহ্মচ ক্ষেপনাস্ত্ৰ



মুগাৰঙী বাঘচৰাই



ৰাফ



ফালকেটেড টিল



সেউজীয়া বালিখোঁচৰা